শ্ৰীশ্ৰীস্বামী বিবেকানন্দৰ

চিকাগো বক্তৃতা।

শ্ৰীদেবেন্দ্ৰনাথ বেজবৰুৱা

অনুবাদিত

আৰু

যোৰহাট ৰামকৃষ্ণ সেৱা সমিতিৰ পৰা

প্ৰকাশিত।

672

হিতব্ৰতৰ ২য় অর্ঘ্য ।

শ্ৰীশ্ৰীস্বামী বিবেকানন্দৰ চিকাগো বক্তৃতা ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীদেবেন্দ্ৰনাথ বেজবৰুৱা
অনুবাদিত

আৰু

যোৰহাট ৰামকৃষ্ণ সেৱা সমিতিৰ পৰা
প্ৰকাশিত ।

১৮৪৭ শঁক ।

GOVERNMENT OF ASSAM
Call No........ ... ..
DISTRICT LIBRARY.

মূল্য ।০ চাৰি আনা ।

পাশ্চাত্য দর্শন শিকি বিবেকানন্দ প্ৰথমে নাস্তিকৰ নিচিনা হৈছিল পিচত ব্ৰাহ্মবিলাকৰ সংস্পৰ্শত সেই ভাব কিছুদূৰ আঁতৰিল। ইয়াতো বিবেকানন্দৰ আধ্যাত্মিক তৃষ্ণাৰ উপশম নোহোৱাত ম্ৰিয়মান হৈ পৰিল। ১৮৮৪ খৃষ্টাব্দত বিবেকানন্দই বি, এ, পাচ কৰি আইন পৰীক্ষালৈ প্ৰস্তুত হল। বিবেকানন্দ সুকণ্ঠ গায়ক আছিল। শিমলা নিবাসী শ্ৰীযুত সুৰেন্দ্ৰনাথ মিত্ৰই দক্ষিণেশ্বৰলৈ আহি শ্ৰীশ্ৰীপৰমহংস দেৱৰ পুণ্যদৰ্শন লাভত ধন্য হৈ এদিন পৰমহংস দেৱক নিৰালয়ক নি আনন্দোৎসব কৰিবৰ মন কৰিলে। সুকণ্ঠ গায়কৰ অভাব হোৱাত প্ৰতিবেশী নৰেন্দ্ৰনাথক গান গাবলৈ আহ্বান কৰিলে। এই উপলক্ষে নৰেন্দ্ৰনাথ সৰ্ব্ব প্ৰথমে পৰমহংসদেৱৰ পুণ্যদৰ্শন লাভ কৰে। প্ৰথম সাক্ষাততেই উভয়ে উভয়ৰ প্ৰতি আকৃষ্ট হল। পৰমহংস দেৱ তেওঁৰ মধুকণ্ঠনিঃসৃত গান শুনি ভাবত বিভোৰ হল।

সৰুকালৰ পৰাই ব্ৰাহ্ম সমাজৰ হাওয়াত ডাঙৰ দীঘল হোৱাৰ নিমিত্তে যাকে তাকে আধ্যাত্ম জগতৰ পথ প্ৰদৰ্শকৰূপে গ্ৰহণ কৰিবলৈ নৰেন্দ্ৰনাথৰ ঘোৰ আপত্তি আছিল; কিন্তু পৰমহংস দেৱৰ লগত ঘনিষ্ট হোৱাৰ পৰা তেওঁৰ সেইভাব নাইকিয়া হল আৰু তেতিয়াই পৰমহংস দেৱক তেওঁৰ জীৱন তৰীৰ মহাকাণ্ডাৰীৰূপে গ্ৰহণ কৰিলে। শ্ৰীগুৰুৰ সংস্পৰ্শ গুণত তেওঁৰ ত্যাগ বৈৰাগ্য ভাব ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে।

১৮৮৬ খৃষ্টাব্দৰ ১৬ ইং আগষ্টত পৰমহংস দেৱৰ মহাসমাধিৰ পিচত নৰেন্দ্ৰনাথ প্ৰভৃতি ভক্ত সকল গুৰু নিৰ্দ্দিষ্ট পথ অবলম্বন

কৰিবলৈ স্থিৰ প্ৰতিজ্ঞ হল। কিছুদিন ভক্ত সকলৰ লগত থাকি নৰেন্দ্ৰনাথ দেশ ভ্ৰমণ কৰিবলৈ ওলাল। তেওঁ কাশী, লক্ষ্ণৌ, আগ্ৰা, বৃন্দাবন প্ৰভৃতি ভাৰতৰ নানা ঠাই ঘূৰি হিমালয়ত ৬ বছৰ কঠোৰ তপস্যা কৰে।

স্বপ্নত শ্ৰীগুৰুৰ আদেশ পাই আৰু সমস্ত মাদ্ৰাচবাসীৰ অনুৰোধ আৰু অৰ্থ সাহায্যত স্বামীজী বেদান্ত আৰু হিন্দুৰ আধ্যাত্ম বিদ্যা পাশ্চাত্য দেশত প্ৰচাৰ কৰাৰ নিমিত্তে আমেৰিকালৈ যাত্ৰা কৰে। সেই সময়ত (১৮৯৩ খৃষ্টাব্দত) আমেৰিকাৰ চিকাগো নগৰত সৰ্ব্ব-ধৰ্ম্ম সমিতি (Parliament of religions) নামে এখন ডাঙৰ সভা বহিছিল। বিবেকানন্দ সেই সভাত হিন্দুধৰ্ম্মৰ প্ৰতিনিধিস্বৰূপে যি বক্তৃতা কৰিছিল তাত তেখেতৰ অপূৰ্ব্ব বাগ্মিতা আৰু হিন্দুধৰ্ম্মৰ শ্ৰেষ্ঠতা সম্বন্ধে আমেৰিকাত মহা হুলস্থূল লাগি গল। এই বক্তৃতাৰ পিচত স্বামীজীৰ যশোগান চাৰিওফালে হব ধৰিলে; ইউৰোপৰ প্ৰত্যেক চহৰত বক্তৃতা কৰিবলৈ আহূত হব ধৰিলে আৰু বহুত ঠাইত বক্তৃতা দি বৈদান্তিক ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰে। বহুত পাশ্চাত্য গণ্যমান্য ভদ্ৰলোক আৰু ভদ্ৰমহিলাই তেখেতৰ শিষ্যত্ব গ্ৰহণ কৰিলে। ইফালে স্বামীজীৰ ইউৰোপ আমেৰিকাৰ কাৰ্য্যত মোহিত হৈ ভাৰতৰ এমূৰৰ পৰা আন মূৰলৈ তুমুল আন্দোলন হব ধৰিলে আৰু প্ৰত্যেক চহৰৰ পৰা তেখেতক ধন্যবাদ দিবলৈ ধৰিলে। চাৰি বছৰ ইউৰোপ ভ্ৰমণ কৰাৰ পিচত সশিষ্যে পুণ্যভূমি ভাৰতত পদাৰ্পন কৰিলে।

ইয়ালৈ আহি নিজ কৰ্ম্মক্ষেত্ৰত লাগি গল! কলিকতাৰ ওচৰৰ বেলুড়ত পাশ্চাত্য দেশীয় শিষ্যৰ অৰ্থ সাহায্যত মাটি কিনি ১৮৯৮ খৃষ্টাব্দৰ মাৰ্চ্চ মাহত বৰ্ত্তমান বেলুড় মঠ স্থাপন কৰে আৰু ৰামকৃষ্ণ মিচন প্ৰতিষ্ঠা কৰি দেশৰ উন্নতিৰ নিমিত্তে কি কি কাম কৰিব লাগিব তাক নিৰ্দ্ধাৰণ কৰে। ১৮৯৭ খৃষ্টাব্দত দুৰ্ভিক্ষ পীড়িতসকলৰ সাহায্যাৰ্থে নানা ঠাইত ৰিলিফ্ ওৱাৰ্ক স্থাপিত কৰে।

ক্ৰমাগত পৰিশ্ৰমৰ কাৰণে স্বাস্থ্যভঙ্গ হোৱাত চিকিৎসক-সকলৰ পৰামৰ্শত বিবেকানন্দে অলপ দিনৰ নিমিত্তে ইংলণ্ড আৰু আমেৰিকালৈ ১৮৯৯ খৃষ্টাব্দত যায়। আৰু তাৰপৰা ভগ্নস্বাস্থ্য লৈয়েই ভাৰতলৈ আকৌ ঘূৰি আহে।

এইবাৰ সাধুসকলৰ নিমিত্তে ৰামকৃষ্ণ সেৱাশ্ৰম, বেনাৰেস ব্ৰহ্মচৰ্য্যাশ্ৰম, ৰামকৃষ্ণ হ'ম, ৰামকৃষ্ণ পাঠশালা প্ৰভৃতি বহুত অনুষ্ঠান কৰে।

ইংৰাজী ১৯০২ খৃষ্টাব্দৰ ৪ঠা জুলাই শুক্ৰবাৰৰ ৰাতি প্ৰায় ৯ টা বজাত তেখেতে সকলোৰে অলক্ষিতত দেহত্যাগ কৰি অনন্ত ধামলৈ গুচি যায়।

ত্যাগ আৰু সেৱা তেখেতৰ জীৱনৰ মূলমন্ত্ৰ আছিল। তেখেতে ৰাজযোগ, ভক্তিযোগ প্ৰভৃতি বহুত গ্ৰন্থ লিখি গৈছে। তেখেতৰ বক্তৃতাশক্তি, প্ৰগাঢ় পাণ্ডিত্য, বহুভাষাজ্ঞান, ধৰ্ম্মপ্ৰৱণতা আৰু গুৰুভক্তিয়ে তেখেতক চিৰস্মৰণীয় কৰি ৰাখিব।

ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ।

PLEASE HANDLE THE BOOK CAREFULLY

চিকাগোৰ সৰ্ব্বধৰ্ম্ম মহাসভাৰ অভ্যৰ্থনাৰ উত্তৰত দিয়া অভিভাষণ।

১১ চেপ্তেম্বৰ, ১৮৯৩।

আমেৰিকাবাসী সমবেত ভনী আৰু ভাইসকল! আপোনালোকে আমাক যি আদৰ আৰু সৰল আন্তৰিক অভ্যৰ্থনা কৰিছে, তাৰ উত্তৰত দু আষাৰমান কথা কবলৈ থিয় হোৱাত মোৰ অন্তৰ অবৰ্ণনীয় আনন্দত পূৰ্ণ হৈ উঠিছে। জগতৰ (সকলোতে কৈ পুৰনি) প্ৰাচীনতম সন্ন্যাসী সমাজৰ নাম লৈ আজি মই আপোনা সকলক ধন্যবাদ জনাইছোঁ। সৰ্ব্ব ধৰ্ম্ম প্ৰসূতি স্বৰূপ সত্য সনাতন হিন্দু ধৰ্ম্মৰ নামত মই আপোনাসকলক ধন্যবাদ দিছোঁ; হিন্দু-জাতিৰ সমস্ত সম্প্ৰদায় আৰু কোটী কোটী হিন্দু নৰ-নাৰীৰ মুখ স্বৰূপ হৈ আজি মই আপোনাসকলক নথৈ ধন্যবাদ দিছোঁ।

আজিৰ এই সভা মন্দিৰত কেইজনমান সুবক্তাই প্ৰাচ্যদেশৰ প্ৰতিনিধি সকলক উদ্দেশ কৰি কৈছে যে বহু দূৰ দেশৰ পৰা অহা এই লোকসকলে সকলো দেশতে ধৰ্ম্ম বিষয়ত সমদৰ্শিতা ভাৱ প্ৰচাৰ কৰাৰ গৌৰৱ কৰিব পাৰে। যি সকলে এই ভাৱ প্ৰকাশ কৰিছে তেখেতসকলক মই ধন্যবাদ নিদি থাকিব নোৱাৰোঁ। যি ধৰ্ম্ম-জগতক চিৰকাল সমদৰ্শন আৰু সৰ্ব্ববিধ মত গ্ৰহণৰ বিষয় শিক্ষা দি আহিছে, মই সেই ধৰ্ম্মাৱলম্বী বুলি

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

নিজকে নিজে গৌৰৱান্বিত কৰোঁ। আমি যে অকল অন্য ধৰ্ম্মাৱলম্বীক সমদৃষ্টিৰে চাওঁ এনে নহয়—আমি সকলো ধৰ্ম্মকে সত্য বুলি বিশ্বাস কৰোঁ। যি ধৰ্ম্মৰ পৱিত্ৰ সংস্কৃত-ভাষাত ইংৰাজী "এক্স্‌ক্লুজন্" (অৰ্থাৎ হেয় বা পৰিত্যাজ্য) শব্দটি কোনোমতে অনুবাদ কৰিব নোৱাৰি, মই সেই ধৰ্ম্মাৱলম্বী। যি জাতিয়ে পৃথিবীৰ সকলো ধৰ্ম্ম আৰু সকলো জাতিৰ পৰিত্যক্ত, উৎপাড়িত আৰু আশ্ৰয় বিচৰা সকলক চিৰকাল অকাতৰে আশ্ৰয় দি আহিছে, মই সেই জাতিৰ অন্তৰ্ভুক্ত বুলি নিজকে নিজে গৌৰৱান্বিত কৰোঁ।

যি বছৰ ৰোমানবিলাকৰ ভয়ঙ্কৰ উৎপীড়ণত ইহুদী জাতিৰ পৱিত্ৰ দেৱালয় চূৰ্ণীকৃত হয়, সেই বছৰতেই তেওঁবিলাকৰ কিছুমানে আশ্ৰয় বিচাৰি দক্ষিণ ভাৰতবৰ্ষলৈ আহিছিল, আৰু তেওঁবিলাকক আমাৰ জাতিৰ মানুহেই সাদৰেৰে সাবটি ধৰি আশ্ৰয় দিছিল। এই কাৰণেও মই নিজকে নিজে গৌৰবান্বিত কৰোঁ। জোড়োৱাস্ত্ৰীৱানৰ অনুগামী সুবৃহৎ পাৰছী জাতিৰ অৱশিষ্টাংশক যি ধৰ্ম্মই আশ্ৰয় দান কৰিছিল আৰু আজিলৈকে যি ধৰ্ম্মই তেওঁবিলাকক প্ৰতিপালন কৰি আছে—মই সেই ধৰ্ম্মাৱলম্বী। কোটী কোটী নৰ-নাৰীয়ে যি স্তোত্ৰটি প্ৰতিদিন গায় ; আৰু যিটিক মই অতি বাল্যাৱস্থাৰ পৰা আবৃত্তি কৰি আহিছোঁ, সেই শ্লোকটিৰে কেই ফাঁকিমান আপোনাসকলক গাই শুনাওঁ—"ৰুচীনাং বৈচিত্ৰ্যা দৃজুকুটিল নানা পথ জুষাং। নৃণামেকো গম্যস্ত্বমসি পয়সা মানবঃ ইব।" অৰ্থাৎ—হে প্ৰভু,

যেনেকৈ সকলো পানীৰ গম্যস্থান সাগৰ, সেইদৰে তুমিয়েই ভিন্ন ভিন্ন ৰুচিৰ কাৰণে সৰল আৰু কুটিল প্ৰভৃতি নানা পথগামী সকলৰ একমাত্ৰ গম্যস্থান।

এই বৰ্ত্তমান মহতী ধৰ্ম্ম-সমিতিয়ে গীতাৰ প্ৰচাৰিত সেই অপূৰ্ব্ব মতকে সমৰ্থন কৰিছে। সেই মতটি হৈছে—"যে যথা মাং প্ৰপদ্যন্তে তাং স্তথৈব ভজ্যাম্যহম্। মম বত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পথি সৰ্ব্বশঃ।" অৰ্থাৎ—যেয়ে যেনেকৈ মোক আশ্ৰয় কৰে, মই সেই ভাবেই তেওঁক অনুগ্ৰহ কৰোঁ। হে অৰ্জ্জুন! মানুহবিলাকে সকলো প্ৰকাৰে মন্নিৰ্দ্দিষ্ট বাটেৰেই চলি আছে।

সাম্প্ৰদায়িকতাই সঙ্কীৰ্ণতা আৰু ইয়াৰ ফল স্বৰূপ ধৰ্ম্মো-মত্ততাই এই সুন্দৰ পৃথিৱীক বহু কালৰ পৰা আয়ত্তাধীন কৰি ৰাখিছে। এই ধৰ্ম্মোমত্ততাই জগতৰ মহা উপদ্ৰৱবিলাক উৎপাদন কৰিছে। এই ধৰ্ম্মোমত্ততাই কতবাৰ পৃথিৱীক ৰঙা তেজেৰে ৰাঙলী কৰিছে; আৰু কতবাৰ যে সভ্যতাৰ নিধন সাধন কৰিছে; আৰু জগতৰ জাতিবিলাকক হতাশ-সাগৰত পেলাই ওপঙাই লৈ ফুৰাইছে তাৰ লেখ জোখ নাই। এই ভীষণ পিশাচ যদি নাথাকিলহেঁতেন, তেন্তে মানৱ-সমাজ আজি কিমান দূৰ আগুৱালে-হেঁতেন! কিন্তু ইয়াৰ মৃত্যু-কাল উপস্থিত হৈছেহি। আৰু মই সৰ্ব্বতোভাৱে ইয়াকে আশাকৰোঁ যে, এই ধৰ্ম্ম-সমিতিৰ সম্মা-নাৰ্থে আজি যি বিজয় ঘণ্টা-ধ্বনি চাৰিওফালে বাজি উঠিছে সেই ঘণ্টা-ধ্বনিয়ে যেন সকলো প্ৰকাৰ ধৰ্ম্মোমত্ততাৰ তৰোৱাল নাইবা মৃত্যু ঘোষণা কাৰক কুতৰ্কাদিৰ পৰা উদ্ভৱ হোৱা বহুবিধ

খিয়লা-খিয়লি বিনাশ কৰোক ; আৰু এক চৰম লক্ষ্যত অগ্ৰসৰ হোৱা সকলো প্ৰকাৰ অসদ্ভাৱৰ সমূলে নিধন সমাচাৰ ঘোষণা কৰোক !

———

পঞ্চম দিনৰ অধিবেশন।

১৫ চেপ্তেম্বৰ।

ভাতৃ-ভাৱ।

মই আপোনাসকলক এটি চুটি গল্প কম। এইমাত্র এজন সুবক্তাই কলে যে,—"আহা আমি সকলোৱে যেন পৰস্পৰক নিন্দাবাদ কৰাৰ পৰা আঁতৰি থাকোঁ।" এই কথা আপোনা সকলৰ সকলোৱে শুনিলে। আমাৰ মাজত এনেকুৱা মতভেদ হোৱা দেখি বক্তা মহাশয় বৰ দুঃখিত। মই এটা সাধু-কথা কম, আশাকৰোঁ ইয়াৰ পৰাই এই মতভেদৰ কাৰণ ভালকৈ বুজিব পাৰিব।

কথাটো এই ঃ—

এটা নাদত এটা ভেকুলী আছিল। সি বহুদিন ধৰি তাত বাস কৰিছিল। যদিও সি সেই নাদতেই জন্মিছিল আৰু তাতেই ডাঙ্গৰ দীঘল হইছিল, তথাপি তাৰ কায়টো নিচেই সৰু আছিল। তৰশ্যে সেই কামত বৰ্ত্তমান কালৰ কোনো ক্রমবিকাশবাদী নাছিল কাৰণে, অন্ধকাৰময় নাদত বাস কৰি ভেকুলীটোৰ দৃষ্টি-নোহোৱা হৈছিল নে নাই, এই বিষয়ে কবলৈ কোনো নাই। কিন্তু মই হলে কথাটোৰ সুবিধাৰ কাৰণে ভেকুলীটোৰ চকু আছিল বুলিয়েই অনুমান কৰিছোঁ। ভেকুলীটোৱে প্রত্যেক দিনে অতি উৎসাহেৰে নাদত থকা পোকবিলাক ধৰি খাই নাদৰ পানী পৰিষ্কাৰ কৰি থয়। এনে উৎসাহেৰে সি সেই পোকবিলাক

ধৰি খায় যে, সেই উৎসাহ দেখিলে বৰ্ত্তমান কালৰ কীটাণুতত্ত্ব-লিপ্সু-পণ্ডিতসকলৰ চহি বহুত পাচত পৰে। এইদৰে ক্রমান্বয়ে সি অলপ শকত হ'ল। এদিন দৈবাৎ সাগৰত থকা ভেকুলী এটা সেই নাদতে পৰিলহি। নাদত থকা ভেকুলীটোৱে সুধিলে "তুমি ক'ৰ পৰা আহিছা ?" সি উত্তৰ দিলে—'মই সমুদ্ৰৰ পৰা আহিছোঁ।" "সমুদ্ৰ ? সেইখন কিমান ডাঙ্গৰ ? সাগৰখন মোৰ নাদটোৰ সমান ডাঙ্গৰ নে ? এই কথা কৈয়ে নাদৰ ভেকুলীটোৱে নাদৰ এচুকৰ পৰা আন এচুকলৈ জাপমাৰি দিলে।

তেতিয়া সাগৰৰ ভেকুলীটোৱে কলে,—"হেৰা ককাই! তুমি এই অকণমান নাদটোৰ সৈতে সাগৰৰ তুলনা কেনেকৈ কৰিছা ?" এই কথা শুনি নাদৰ ভেকুলীটোৱে আৰু এটা জাপ মাৰি সুধিলে "তোমাৰ সাগৰখন ইমান ডাঙ্গৰ নে ?" তেতিয়া সাগৰত থকা ভেকুলীটোৱে কলে.—"সাগৰৰ সৈতে নাদৰ তুলনা কৰি তুমি মূৰ্খৰ নিচিনাকৈ কি প্ৰলাপ বকিছা ?"

এই কথা শুনি নাদৰ ভেকুলীটোৱে কলে—"মোৰ নাদটোৰ সমান একেবাৰেই ডাঙ্গৰ হব নোৱাৰে—ইয়াতকৈ একেবাৰেই ডাঙ্গৰ হব নোৱাৰে—ই এটা বৰ মিছলীয়া জন্তু। ইয়াক ইয়াৰ পৰা কোনে পাৰে উলিয়াই খেদি দে।"

হে ভ্ৰাতৃসকল! এনেকুৱা সংকীৰ্ণ ভাৱেই আমাৰ মত ভেদৰ মূল কাৰণ। মই এজন হিন্দু—মই মোৰ নিজৰ ক্ষুদ্ৰ কূপত সোমাই তাকে সমগ্ৰ জগত বুলি ভাবিছোঁ, হে আমেৰিকাবাসী সকল! আপোনাসকলে যে আমাৰ এই ক্ষুদ্ৰ জগতবোৰৰ বেঢ়

ভাঙ্গিবলৈ বিশেষ যত্নশীল হৈছে, সেই কাৰণে মই আপোনা-সকলক ধন্যবাদ জনাইছোঁ। আশাকৰোঁ পৰমেশ্বৰে ভবিষ্যতত আপোনাসকলৰ এই মহৎ উদ্দেশ্য সম্পাদনত অশেষ সহায় কৰে যেন।

নবম দিনৰ অধিবেশন।

১৯ চেপ্তেম্বৰ, ১৮৯৩।

হিন্দুধৰ্ম্ম

(হিন্দুধৰ্ম্মৰ আভ্যন্তৰিক শক্তি)

বৰ্ত্তমান কালত জগতত প্ৰচলিত তিনটি ধৰ্ম্ম ঐতিহাসিক যুগৰ আগেও বিদ্যমান আছিল। সেই তিনটি ধৰ্ম্ম হিন্দু, পাৰছী আৰু ইহুদী। এই তিনটি ধৰ্ম্মৰ প্ৰত্যেকটোৱেই অনেক বিপদাপদ সহ্য কৰি এতিয়াও যে জীবিত আছে ইয়াৰ পৰা এইটো বেছকৈ প্ৰমাণিত হৈছে যে এই ধৰ্ম্মবিলাকত এটি মহৎ শক্তি লুকাই আছে, কিন্তু এপিনে যি দৰে ইহুদী ধৰ্ম্মই খৃষ্টধৰ্ম্মক নিজৰ ভিতৰুৱা কৰি লোৱা দূৰৰ কথা নিজেই জন্মভূমিৰ পৰা তেওঁৰ মহা শক্তিশালিনী বিজয়িনী জীয়েকৰ প্ৰতাপত খেদাহে খালে; আৰু নিচেই তাকৰ পাৰছীয়েহে এতিয়া তেওঁবিলাকৰ সেই মহান্ ধৰ্ম্মৰ সাক্ষীস্বৰূপ হৈ আছে। সেইদৰে আন পিনে আকৌ ভাৰতবৰ্ষত সম্প্ৰদায়ৰ উপৰি সম্প্ৰদায় ওলাই বৈদিক ধৰ্ম্মৰ ভেঁটীকো কঁপাই দিলে। কিন্তু মহা ভূমি কম্পৰ সময়ত সাগৰৰ পানী যি দৰে পাৰৰ পৰা বহুত দূৰলৈ আঁতৰি গৈ অলপ পিছতে সহস্ৰ গুণ বেগেৰে পাৰলৈ চাপি আহি গোটেই পাৰ বুৰাই ঢাকি ধৰেহি, সেই দৰেই এইবিলাক জননী স্বৰূপ বেদোক্ত ধৰ্ম্মও প্ৰথমতে অলপ দিনৰ কাৰণে আঁতৰি গৈ বিপ্লৱৰ হাই-

উৰুমিৰ পিচত প্ৰবল বেগেৰে আহি সেই সৰু সৰু সম্প্ৰদায় বিলাকক অন্তৰ্ভুক্ত কৰি নিজৰ শৰীৰ বঢ়ালে।

আজি কালিৰ বিজ্ঞানৰ নতুন নতুন আবিষ্কাৰবিলাক যাৰ প্ৰতিধ্বনি যেন হে বোধ হয়, বেদান্তৰ সেই উচ্চতম আধ্যাত্মিক জ্ঞানৰ পৰাই সামান্য মূৰ্ত্তি পূজা আৰু তাৰ আনুষঙ্গিক নানা বিধ পৌৰাণিক কথা,—আনকি বৌদ্ধধৰ্ম্মৰ অজ্ঞেয়বাদ আৰু জৈন ধৰ্ম্মৰ নিৰীশ্বৰবাদ এই সকলোবিলাকৰেই হিন্দুধৰ্ম্মত ঠাই আছে।

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে, এই সকলো ভিন ভিন বিৰোধী ভাৱবোৰৰ সাধাৰণ কেন্দ্ৰ ঠাই ক'ত? কি সাধাৰণ কেন্দ্ৰ আশ্ৰয় কৰি এইবিলাক ৰৈ আছে? মই আজি এই প্ৰশ্নৰ আলোচনা কৰিবলৈ যথা সাধ্য চেষ্টা কৰিম।

বেদৰ নিত্যতা। হিন্দুবিলাকে বেদক আপ্তবাক্য বোলে আৰু তাৰে পৰা নিজৰ ধৰ্ম্ম লৈছে। তেওঁবিলাকে বেদক অনাদি আৰু অনন্ত বুলি বিশ্বাস কৰে। পুথি এখনক অনাদি আৰু অনন্ত বুলিলে আজিৰ দৰে শ্ৰোতাসকলৰ হাঁহি উঠিব পাৰে। কিন্তু "বেদ" এই শব্দই কোনো পুথিকে নুবুজায়। ভিন ভিন লোকসকলে ভিন ভিন সময়ত যি আধ্যাত্মিক সত্যৰ আবিষ্কাৰ কৰিছিল "বেদ" এই সত্যবিলাকৰ ভৰাঁলহে মাথোন। যেনেকৈ আবিষ্কাৰ হোৱাৰ আগেও পৃথিবীৰ মাধ্যাকৰ্ষণ শক্তি আছিল, আৰু সকলোবিলাক মানুহে এই নিয়মবিলাক পাহৰিলেও জগতত থাকিব, আধ্যাত্মিক জগতৰ নিয়মবিলাকো ঠিক তেনেকুৱাই। আত্মাৰ সৈতে আত্মাৰ যি পবিত্ৰ সম্বন্ধ আৰু প্ৰত্যেক জীৱাত্মাৰ

সৈতে পৰম পিতা পৰমাত্মাৰ যি বিশুদ্ধ সম্বন্ধ, এইবিলাক আবিষ্কাৰ হোৱাৰ আগেও আছিল আৰু সকলোৱে পাহৰিলেও এই সম্বন্ধ থাকিব।

ঋষি এই আধ্যাত্মিক সত্যবিলাকৰ আবিষ্কাৰক সকলক "ঋষি" বোলে। আমি তেওঁবিলাকক সৰ্ব্বতে আৰু সকলো বিষয়তে পাৰদৰ্শী বুলি ভক্তি আৰু মান্য কৰোঁ। মই এই শ্ৰোতৃ মণ্ডলীক জনাবলৈ ৰং পাইছোঁ যে তেওঁলোকৰ কেইবা গৰাকীও তিৰোতা মানুহ আছিল।

সৃষ্টি অনাদি আৰু অনন্ত এই খিনিতে এই ফাঁকিও কৈ থব পাৰি যে এই আধ্যাত্মিক নিয়ম বিলাক অন্তহীন হব পাৰে, কিন্তু নিশ্চয় আদি আছে। বেদে কৈছে যে সৃষ্টি অনাদি আৰু অনন্ত। বিজ্ঞান-শাস্ত্ৰই প্ৰমাণ কৰিছে যে সৃষ্টি শক্তিৰ সমষ্টি সৰ্ব্বতিকাল সমান। যদি কোনোবাই কয় যে এনেকুৱা এসময় আছিল যেতিয়া একো বস্তুৱেই নাছিল; তেনেহলে এই প্ৰশ্ন কৰিব পাৰি যে তেতিয়া সকলোবিলাক শক্তি ক'ত আছিল? কোনোবাই কব পাৰে যে তেতিয়া এই শক্তি ঈশ্বৰতেই নিহিত হৈ আছিল। তেনেহলে ঈশ্বৰ কেতিয়াবা সক্ৰিয় আৰু কেতিয়াবা নিষ্ক্ৰিয়; গতিকে ঈশ্বৰ বিকাৰশীল। কিন্তু যেতিয়া বিকাৰশীল পদাৰ্থ মাত্ৰেই মিশ্ৰ পদাৰ্থ আৰু যেতিয়া মিশ্ৰ পদাৰ্থ মাত্ৰেই বিনাশশীল; তেনেহলে ঈশ্বৰো বিনাশশীল। এইটো কেতিয়াও হবই নোৱাৰে। গতিকে এনেকুৱা এসময় নাছিল যেতিয়া একোৱেই (অৰ্থাৎ সৃষ্টি) নাছিল। গতিকে সৃষ্টি

অনাদি। উপমাৰ দ্বাৰা বুজাব খুজিলে একো বেয়া নহয়; তেনেহলে সৃষ্টি আৰু স্রষ্টা এই দুয়োকে দুটা অনাদি আৰু অনন্ত সমান্তৰাল সৰল ৰেখাৰে সৈতে তুলনা কৰিব পাৰি। ঈশ্বৰ নিত্য মহা শক্তি স্বৰূপ সকলো বিষয়ৰ বিধান কৰ্ত্তা তেওঁ সদায় তমসৰ পৰা ব্ৰহ্মাণ্ড সৃজন পালন কৰি, শেষত আৰু ভাঙ্গি ছিঙ্গি সংহাৰ কৰিছে। এই দৰেই সদায় চলিবই লাগিছে। ব্ৰাহ্মণৰ ল'ৰাই সদায় সন্ধ্যা কৰিবৰ সময়ত এই কথাকে আওৰায়, "সূৰ্য্যা চন্দ্ৰমসৌ ধাতা যথা পূৰ্ব্বম্ কল্পয়ৎ" অৰ্থাৎ বিধাতাই আগৰ দৰেই চন্দ্ৰ-সূৰ্য্য সৃজন কৰিলে। বিজ্ঞানেও ইয়াকেই কৈছে।

মই এইখিনিতে থিয় হৈ আছোঁ। যদি চকু মুদি মই মোৰ সত্ব সম্বন্ধে ভাবোঁ 'মই' 'মই' 'মই' তেনেহলে মোৰ কি ভাব হব? এই দেহেই ময়—এনেকুৱা ভাৱেই মনত আহে। তেনেহলে মই জড় নে? বা জড়ৰ সমষ্টি ভূত দেহ স্বৰূপ? বেদে কৈছে, "নহয়।" মই দেহত থকা "আত্মা।" মই দেহ নহওঁ। দেহ নষ্ট হব কিন্তু মই নষ্ট নহওঁ। মই দেহৰ মাজত আছোঁ কিন্তু যেতিয়া এই দেহৰ পঞ্চত্ব প্ৰাপ্ত হব, তেতিয়াও মই বিদ্যমান থাকিম; আৰু মই এই দেহ ধাৰণ কৰাৰ আগেও আছিলোঁ। আত্মা কোনো পদাৰ্থৰ পৰা সৃষ্ট হোৱা নাই; কাৰণ সৃষ্টি শব্দৰ অৰ্থ হৈছে বেলেগ বেলেগ বস্তুৰ সংযোগ; আৰু সংযোগ ভবিষ্যতত বিয়োগ হব। গতিকে আত্মা যদি সৃষ্টি কৰা হয়, তেনেহলে নিশ্চয় বিনশ্বৰ। গতিকে আত্মা সৃষ্টি কৰা পদাৰ্থ নহয়।

কোনোৱে জন্মাৱধি সুখ ভোগ কৰিছে ; শৰীৰ দিব্য সুস্থ আৰু সুন্দৰ, মন উৎসাহপূৰ্ণ একোৰে অভাৱ নাই কিন্তু কিছুমানে ওপজা দিনৰে পৰা দুখতেই কাল নিয়াইছে। কোনোৰ হয়তো হাত ভৰিয়েই নাই কোনোৰ বুদ্ধিয়েই নাই আৰু কিছুমানে অতি দুখেৰে সৈতে জীৱন নিয়াইছে। যদি এই আটাইবিলাকক একে জন দয়াময় ঈশ্বৰেই সৃজন কৰিছে, তেনেহলে কিয় কিছুমান সুখী আৰু কিছুমান দুখী ? ভগৱান কিয় ইমান পক্ষপাতী ? যদি কোনো লোকে কব খোজে যে, যি এই জন্মত দুখত কাল কটাইছে পৰ জন্মত তাৰ সুখ হব। তেনেহলে কিয়নো :দয়াময়ৰ ৰাজ্যত এজনেও দুখ পাব ?

দ্বিতীয়তঃ ইয়াৰ পৰা এই অসঙ্গতিৰ একোৱেই বাখ্যা নহয়। মুঠতে এজন সৰ্ব্বশক্তিমান স্বেচ্ছাচাৰী পুৰুষৰ নিষ্ঠুৰ ব্যৱহাৰৰ কথাহে উল্লিখিত হ'ল। এই কাৰণে এইটো স্বীকাৰ কৰিব লাগিব যে মানুহে সুখী বা দুখী হৈ জন্ম লোৱাৰ আগেয়ে কিছুমান কাৰণ আছিল, যিবিলাকৰ পৰা তেওঁ সুখী বা দুখী হৈছে তেওঁৰ পূৰ্ব্বানুষ্ঠিত কৰ্ম্মবিলাকেই এই সুখ-দুখৰ কাৰণ। বাৰু মানুহৰ দেহ আৰু মনে পিতৃ-পিতামহৰ দেহ আৰু মনৰ সাদৃশ্য লয় ; এনেকৈ কলে ইয়াৰ সমুচিত উত্তৰ দিয়া নহব নে ? এইটো ভালকৈ দেখা গৈছে যে মানুহৰ জীৱনৰ সোঁতটো জড় আৰু চৈতন্য এই দুই ধাৰেৰে প্ৰৱাহিত হৈছে। যদি জড়ে আৰু জড়ৰ বিকাৰে আত্মা, মন, বুদ্ধি আদিৰ কাৰ্য্য পূৰণ কৰে, তেনেহলে স্বতন্ত্ৰ আত্মাৰ স্বীকাৰ কৰিবৰ কোনো আৱশ্যক নাই। কিন্তু

জড়ৰ পৰা যে চৈতন্য শক্তি উদ্ভৱ হৈছে, এইটো কোনোমতে প্ৰমাণ কৰিব নোৱাৰি। এই দৰে সূক্ষ্ম চিন্তা কৰি চালে এক মূল পদাৰ্থৰ পৰাই সমস্ত জগত সৃষ্ট হৈছে বুলি ধৰিবই লাগিব; আৰু সেই মূল পদাৰ্থ জড় নুবুলি চৈতন্য শক্তি বুলি ধৰাই যুক্তি সঙ্গত বাঞ্ছনীয়। কিন্তু এই খিনিত এই কথা আলোচনা কৰাৰ কোনো আৱশ্যক নাই।

কুল-সংক্ৰমণ বংশানুক্ৰমিকতা আৰু পুনৰ্জ্জন্ম বাদ— আমি এইটো অস্বীকাৰ কৰিব নোৱাৰোঁ যে মানৱ-দেহত পিতৃ-পিতামহৰ অনেক স্বভাৱ-চৰিত্ৰ সংক্ৰমিত হয়, কিন্তু এই স্বভাৱ সৰ্ব্বতোভাৱে দৈহিক। ইয়াৰ বাহিৰেও পূৰ্ব্ব-কৰ্ম্মৰ ফল স্বৰূপে মানুহৰ আত্মাৰো বিশেষ বিশেষ কিছুমান গুণ থাকে। যি আত্মাৰ যি স্বভাৱ সেই আত্মাই ঠিক তেনেকুৱা দেহৰ আশ্ৰয় লৈ তাৰ স্বভাৱানুযায়ী কাম কৰিব পাৰে, আত্মাৰো সেই স্বভাৱ পূৰ্ব্বানুষ্ঠিত কৰ্ম্মৰ কাৰণেই হয়। যি আত্মা যি বিষয়ত প্ৰবল, সেই আত্মাই "যোগ্যং যোগ্যেন যুজ্যতে"—এই নিয়মানুসাৰে তদুপযোগী দেহত জন্মগ্ৰহণ কৰি থাকে। বিজ্ঞানৰো এয়ে মত। কাৰণ বিজ্ঞান-শাস্ত্ৰই কয়,—স্বভাৱ অভ্যাসৰ পৰা হয়, আৰু অভ্যাস পুনঃ পুনঃ অনুষ্ঠানৰ ফল। গতিকে এটা কেঁচুৱা লৰাৰ স্বভাৱ তাৰ পুনঃ পুনঃ অনুষ্ঠিত কৰ্ম্মৰহে ফল। আৰু যি বিষয়ত সেই কেঁচুৱা ল'ৰাটোৱে বৰ্ত্তমান জীৱনত সেই স্বভাৱ পোৱা অসম্ভৱ গতিকে সি সেই স্বভাৱ অৱশ্যেই পূৰ্ব্ব জীৱনৰ পৰা পোৱা।

বাৰু এইটো স্বীকাৰ কৰা হ'ল যে পূৰ্ব্ব জন্ম আছে। কিন্তু, তেনেহলে কিয় আমাৰ পূৰ্ব্ব জন্মৰ কথা মনত নাথাকে, এইটো সহজেই বুজাব পাৰি। মই এতিয়া ইংৰাজী ভাষা কৈছোঁ, এই ভাষা মোৰ মাতৃ-ভাষা নহয়। সঁচাকৈয়ে এতিয়া মোৰ মাতৃ-ভাষাৰ কথা এটিও মনত নাই! কিন্তু যদি মই মনত সুঁৱৰিব খোজোঁ, তেনেহলে তৎক্ষণাৎ সুঁৱৰিব পাৰোঁ। এই কথাৰ পৰা ইয়াকে বুজিব পৰা যায় যে কোনো এক সময়ৰ চৈতন্য কেৱল ওপৰখনহে। আৰু এই সমুদ্ৰৰ গভীৰ প্ৰদেশত আমাৰ অভিজ্ঞতা সমূহ সঞ্চিত হৈ আছে। চেষ্টা আৰু সাধনাৰ বলত সেই জ্ঞান উদ্ধাৰ কৰি আনিব পাৰি; আন কি পূৰ্ব্ব জন্মৰ সকলো জ্ঞান মনত পেলাব পাৰি।

পূৰ্ব্ব জন্মৰ সম্বন্ধে এয়ে সাক্ষাত প্ৰমাণ। কাৰ্য্য-ক্ষেত্ৰত মিলাব পাৰিলেই যেই সেই মতবাদৰ সম্পূৰ্ণ সত্যতা প্ৰমাণিত হয় আৰু ঋষিসকলে সমস্ত জগতত এই বাক্য ঘোষণা কৰিছে—"স্মৃতি সাগৰৰ গভীৰতম ভাৱবিলাক কেনেকৈ জগাব পাৰি সেই তথ্য আমি আবিষ্কাৰ কৰিছোঁ। চেষ্টা কৰা তোমালোকে তোমালোকৰ পূৰ্ব্ব জন্মৰ সকলো কথা সুঁৱৰিব পাৰিবা।"

এই কাৰণে হিন্দুৱে নিজক আত্মা বুলি বিশ্বাস কৰে। সেই আত্মাক তৰোৱালে কাটিব নোৱাৰে, জুয়ে পুৰিব নোৱাৰে, পানীয়ে তিয়াব নোৱাৰে আৰু বায়ুৱেও শুকাব নোৱাৰে। সেই আত্মা এনেকুঁৱা এটা বৃত্ত, যাৰ পৰিধি অসীম; কিন্তু যাৰ কেন্দ্ৰ যেই সেই এটা দেহৰ ভিতৰত আছে আৰু সেই কেন্দ্ৰ এটা দেহৰ পৰা

অন্য এটা দেহলৈ যোৱাৰ নামেই হৈছে মৰণ। আত্মা জড় নিয়মৰো বশীভূত নহয়—আত্মা নিত্য-শুদ্ধ-মুক্ত-স্বভাৱ। কিন্তু কি কাৰণত জড়ত আৱদ্ধ হৈ আছে আৰু নিজক জড় বুলি ভাবিছে? কিয় বিশুদ্ধ, পূৰ্ণ আৰু বিমুক্ত আত্মাই জড়ৰ দাসত্ব কৰিছে আৰু পূৰ্ণ হৈয়ো নিজক অপূৰ্ণ বুলি ভাবিছে? বহুতে ভাবে যে হিন্দুবিলাকে আত্মা দেহ বদ্ধ কিয়? এই প্ৰশ্নৰ যথাযথ মীমাংসা কৰিব নোৱাৰে; এই ভাবি একেবাৰেই এই কথা উৰাই দিবলৈ চেষ্টা কৰে। কোনো কোনো পণ্ডিতে আত্মা আৰু জীৱ এই দুইৰ মাজত কিছুমান পূৰ্ণ কল্প সত্বাৰ অস্তিত্ব কল্পনা কৰে; আৰু এইবিলাক কথাকে হৰেক ৰকমৰ দীঘলীয়া বৈজ্ঞানিক বিশেষণ লগাই নাম দিয়ে। কিন্তু প্ৰতিশব্দ দিলে কোনো প্ৰশ্নৰ মীমাংসা নহয়। প্ৰশ্ন যেনেকুৱা আছিল তেনেকুৱা হৈয়েই থাকিল। যি পূৰ্ণ, তাত কেনেকৈ পূৰ্ণতাৰ অনুমাত্ৰও লাঘৱ কৰিব পাৰি? যি সত্য-শুদ্ধ-বুদ্ধ-মুক্ত-স্বভাব, কেনেকৈ সেই নিত্য-শুদ্ধ-বুদ্ধৰ সেই স্বভাৱৰ ব্যতিক্ৰম হব পাৰে? হিন্দু-বিলাকে এই বিষয়ে সকলোতকৈ অধিক সৰল আৰু সত্যবাদী। তেওঁবিলাকে তৰ্ক যুক্তিৰ দ্বাৰা মীমাংসাৰ চেষ্টা কৰা নাই বুলি বা মীমাংসা কৰিছে বুলি পণ্ডিত বোলাবলৈ ইচ্ছা নকৰে। তেওঁ-বিলাকে বুকু ফিন্দাই এই কথাৰ উত্তৰ দিবলৈ প্ৰস্তুত, আৰু উত্তৰত কয়—"এই কথা আমি নাজানোঁ, আমি নুবুজোঁ কেনেকৈ পূৰ্ণ আত্মাই নিজক অপূৰ্ণ আৰু জড়ৰ অধীন কৰে।" কিন্তু এইটো সকলো প্ৰকাৰে সত্য। প্ৰত্যেকেই নিজক দেহ বুলি

ভাৱে। আত্মাই এই দেহলৈ কিয় আহিছে এই বিষয়ে আমি আলোচনা কৰিবলৈ চেষ্টা নকৰোঁ। “এইটো ঈশ্বৰৰ ইচ্ছা” বুলিলে একো ব্যাখ্যা কৰা নহল। হিন্দুৱে যে “আমি নাজানোঁ” বুলি কয় তাতকৈ এই উত্তৰত মীমাংসাৰ একো বিশেষ আলোচনা আগ নাবাঢ়িল।

কৰ্ম্মবাদ। এতেকে বুজা হৈছে যে, মানুহৰ আত্মা অনাদি, অমৰ আৰু পূৰ্ণ; আৰু এই দেহৰ পৰা অইন এটা দেহলৈ যোৱাৰ নামেই মৃত্যু বা মৰণ। বৰ্ত্তমান অৱস্থা পূৰ্ব্বানুষ্ঠিত কৰ্ম্মৰ ফল; আৰু ভবিষ্যত বৰ্ত্তমান অৱস্থাৰ ফল স্বৰূপ। আত্মা জন্ম আৰু মৃত্যু-চক্ৰত ক্ৰমাগত ঘূৰিব লাগিছে।

কিন্তু এই খিনিতে আৰু এটা প্ৰশ্ন ওলায়ঃ—তেনেহলে মানুহ প্ৰচণ্ড ধুমুহাত পৰা এখন সৰু নাৱৰ দৰে নেকি?—যে সি এক মুহূৰ্ত্তত ফেনে ফোটোকাৰে সাগৰৰ ঢৌৰ মূৰলৈ উঠে আৰু তাৰ পাছ মুহূৰ্ত্তে অতল-জলত ডুবি যায়; বা মানুহ ভীষণ বেগেৰে গুজৰি-গামৰি সদায় বৈ থকা কাৰণ-কাৰ্য্য-সোঁতৰ পৰা সহায় হীন শক্তিহীন জাঁজিৰ দৰে নেকি?—যে সি ভাল বা বেয়া কৰ্ম্মৰ প্ৰতাপত চাৰিওফালে পাকঘূৰণি খাই ফুৰে। আত্মা এটা সৰু বালি-চাঁহিৰ নিচিনা নে কি?—যে সি সদায় পৰিভ্ৰমণশীল কৰ্ম্ম-চক্ৰত থাকি, অথবা যি কাৰ্য্য-কাৰণ চক্ৰই বাটত যিহকে পায় তাকে খুন্দি পিহি থৈ যায় আৰু কি বিধবাৰ অশ্ৰু বা কি পিতৃ-মাতৃহীনৰ ক্ৰন্দন একোলৈকে ভ্ৰূক্ষেপ নকৰে; মাত্ৰ মানুহ তেনেকুৱা নিৰ্ম্ম চক্ৰৰ তলত পৰা এটা পৰুৱা নে কি?

মানুহ পাপী নহয়   এই কথা ভাবিলে হৃদয় ব্যাকুল হয়। কিন্তু উপায় কি ? ই যে প্ৰকৃতিৰ নিয়ম। তেনেহলে ইয়াৰ কোনো উপায় নাই নে কি ? পৰিত্ৰাণৰ কোনো বাট নাই নে কি ? মানুহৰ হতাশৰ এই কৰুণ-কান্দোনৰ ধ্বনি কৰুণা-নিদান বিশ্বপতিৰ সিংহাসন চুলেগৈ। এই কৰুণ-ধ্বনি শুনি পৰমেশ্বৰে আশা আৰু সান্ত্বনা বাণীৰূপে এজন বেদবিৎ ঋষিৰ হৃদয়ত আবিৰ্ভূত হলহি। ঐশ্বৰিক শক্তিৰে অনুপ্ৰাণিত মহৰ্ষিয়ে থিয় হৈ উচ্চস্বৰে জগতত এই আনন্দৰবাণী ঘোষণা কৰিলে—"হে অমৃতৰ পুত্ৰসকল, হে দিব্যলোক নিবাসী ত্ৰিদশ মণ্ডলি ; তোমালোক সকলোৱে শুনা মই সেই অনাদি পুৰাতন মহান পুৰুষক চিনি পাওঁ ; তেওঁৰ বৰণ আদিত্যৰ নিচিনা, অজ্ঞানে তেওঁক কেতিয়াও চুব নোৱাৰে, তেওঁক চিনি পালেই কেতিয়াও মৃত্যুৰ হাতত পৰিব নালাগে আৰু তেতিয়া তুমি মুক্তি পাবা—ইয়াৰ বাহিৰে আৰু অইন বাট নাই।

"অমৃতৰ অধিকাৰী" এই নামটো কেনে সুমধুৰ আৰু কেনে উল্লাসবৰ্দ্ধক ! হে ভ্ৰাতৃসকল, মই তোমালোকক এই মধুৰ নামেৰে সম্বোধন কৰিব খোজোঁ। তোমালোক অমৃতৰ অধিকাৰী—হিন্দুসকলে তোমালোকক পাপী বুলি কবলৈ অস্বীকাৰ কৰে।

তোমালোক ঈশ্বৰৰ সন্তান, অমৃতৰ অধিকাৰী, পৱিত্ৰ আৰু পূৰ্ণ। তোমালোকেই এই মৰ্ত্ত্যভূমিৰ দেৱতা। তোমালোক কেতিয়াও পাপী নোহোৱা। মানুহক পাপী বোলা এটা মহা

পাপ। পাপী বুলি কলে বিশুদ্ধ মানবাত্মাক কলঙ্ক দিয়াহে হব। হে ভ্ৰাতৃ সকল, তোমালোক সিংহ হৈ নিজক ভেৰা ছাগলী বুলি ভাবিছা কিয় ? এই ভ্ৰম ভাৱ দূৰ কৰা ! তোমালোক জৰা-মৰণ ৰহিত, মুক্ত আৰু নিত্যানন্দময় আত্মা। তোমালোক জড় আৰু দেহ নোহোৱা। জড় তোমালোকৰ দাস—তোমালোক জড়ৰ দাস নোহোৱা। এনে যুক্তিৰে বেদে ঘোষণা কৰিছে যে—এই সৃষ্টি কিছুমান ভয়ঙ্কৰ নিৰ্ম্মম নিয়মৰ অধীন বা অনন্ত কাৰ্য্য-কাৰণৰ কাৰাগাৰো নহয়। বেদে কয় এই সকলোবিলাক নিয়মৰ গুৰিত প্ৰত্যেক পৰমাণু আৰু শক্তিৰ মাজত এজন মহাপুৰুষ আছে, যাৰ আদেশত বতাহ বলিছে, জুই জ্বলিছে, মেঘে বৰষুণ দিছে আৰু মৃত্যুৱে পৃথিবীত ভ্ৰমণ কৰিছে ।

সেই পুৰুষৰ স্বৰূপ কেনেকুৱা ? তেওঁ সৰ্ব্বব্যাপী, শুদ্ধ, নিৰাকাৰ, সৰ্ব্বশক্তিমান আৰু সকলোকে তেওঁ দয়া কৰে। 'তুমি মোৰ পিতা, তুমি মোৰ আই, তুমি মোৰ মৰমৰ সখী, তুমি সমস্ত শক্তিমূল, তুমি কোটি কোটি বিশ্ব ব্ৰহ্মাণ্ডৰ ভাৰ ধাৰণ কৰিছা ; হে প্ৰভু এই জীৱনৰ ক্ষুদ্ৰ ভাৰ বহন কৰিবলৈ মোক শক্তি দিয়া'—বেদবিৎ ঋষিসকলে এনেকুৱা গান কৰিছিল। আমি তেওঁক কি দি পূজা কৰিম ? প্ৰীতিৰে, প্ৰেমেৰে—ঐহিক আৰু পাৰত্ৰিক সকলো প্ৰিয় বস্তুতকৈ প্ৰিয়তৰ ৰূপে তেওঁক পূজা কৰিব লাগিব।

বেদে শুদ্ধ প্ৰেমৰ সম্বন্ধে এনেকুৱা শিক্ষা দিছে। হিন্দু-

বিলাকে ঈশ্বৰৰ পৃথিবীত যাক অৱতাৰ বুলি বিশ্বাস কৰে, সেই ভগৱান শ্ৰীকৃষ্ণই এই প্ৰেমৰ পূৰ্ণ কলা কেনেকৈ দেখুৱালে, সেই সম্পৰ্কে কি উপদেশ দিছে তাকে এতিয়া আলোচনা কৰা হওক। পদুম পানীত থাকিলেও যেনেকৈ তাত পানী নালাগে, সেইদৰে মানুহেও এই সংসাৰত ঈশ্বৰত মন-প্ৰাণ অৰ্পণ কৰি কৰ্ম্মত হাত দিও নিৰ্লিপ্ত ভাৱে থাকিব লাগে।—শ্ৰীকৃষ্ণই ইয়াকে শিক্ষা দিছে। ইহ আৰু পৰকালৰ পুৰস্কাৰৰ আশাত ঈশ্বৰক ভাল পোৱাটো একো বেয়া নহয়। কিন্তু ঈশ্বৰক ভাল পোৱাৰ আশাতে ভাল পোৱাটো অতি ভাল। তেওঁক এইদৰে প্ৰাৰ্থনা কৰা উচিত—"হে ভগবান! মই তোমাত ধন, পুত্ৰ বা বিদ্যা একো খোজা নাই। যদি তোমাৰ ইচ্ছা হয়, মই শত শত নৰককৈলেকো যাবলৈ সাজু আছোঁ। কিন্তু হে প্ৰভু! ইয়াকে কৰা যেন সকলো সময়তে তোমাক মই নিস্বাৰ্থ ভাৱে ভাল পাব পাৰোঁ।"

সেই সময়ৰ ভাৰতবৰ্ষৰ সম্ৰাট ধৰ্ম্মনন্দন যুধিষ্ঠিৰ শ্ৰীকৃষ্ণৰ শিষ্য আছিল। তেওঁক শত্ৰুৱে সিংহাসনৰ পৰা নমাই খেদি দিয়াত তেওঁ তেওঁৰ ৰাণীৰে সৈতে হিমালয়ৰ ওচৰৰ এখন হাবিত বাস কৰি আছিল। তেতিয়া ৰাণীয়ে তেওঁক এদিন সুধিলে—"হে নাথ! আপুনি ইমান ধাৰ্ম্মিক হৈয়ো কিয় ইমান দুখ-কষ্ট সহ্য কৰিব লগীয়া হৈছে?" যুধিষ্ঠিৰে উত্তৰ দিলে—"প্ৰিয়ে! চোৱাঁচোন চোৱাঁ হিমালয়ৰ পিনে চোৱাঁ, আহা! কেনে সুন্দৰ আৰু মহৎ। মই এই মহৎ দৃশ্য বৰ ভাল পাওঁ।

PLEASE HANDLE THE BOOK CAREFULLY.

যদিও পৰ্ব্বতে আমাক একো দিয়া নাই তথাপি সুন্দৰ আৰু মহৎ বস্তুক ভাল পোৱাটো মোৰ স্বভাৱ, সেই কাৰণেই মই ঠিক সেইদৰে মই তাক ভাল পাওঁ। তেওঁ নিখিল সৌন্দৰ্য্য আৰু মহত্ত্বৰ মূল। তেৱেঁই ভাল পোৱাৰ উপযুক্ত পাত্ৰ। তেওঁক ভাল পোৱাটোৱেই মোৰ স্বভাৱ গতিকে মই তেওঁক ভাল পাওঁ। মই তেওঁৰ ওচৰত একোকে নিবিচাৰোঁ, তেওঁৰ য'তে থবৰ ইচ্ছা হয় তাতেই মোক নি থওক। সুখত, দুখত, বেজাৰত, আনন্দত, সকলো সময়তেই মই তেওঁক ভাল পাওঁ। মোক ভাল পোৱাৰ বঁটা মোক নালাগে মই ধৰ্ম্মৰ বেপাৰী নহওঁ।

বেদে কৈছে—আত্মা ব্ৰহ্ম স্বৰূপ, কেৱল পঞ্চভূতত আবদ্ধ হৈ আছে; যেতিয়াই এই বন্ধৰ পৰা মুক্ত হব, তেতিয়াই আগৰ নিচিনাকৈ আকৌ পূৰ্ণত্ব পাব। এই অৱস্থাৰ নামেই মুক্তি অৰ্থাৎ অপূৰ্ণতা জন্ম-মৃত্যু-আধিব্যাধি সকলোৰে পৰা নিস্তাৰ পাব। ঈশ্বৰৰ কৃপা হলেই আত্মাৰ এই বন্ধন শেষ হয়। পৱিত্ৰ স্বভাৱৰ লোককহে তেওঁ কৃপা কৰে। গতিকে পৱিত্ৰতাই তেওঁৰ অনুগ্ৰহ পাবৰ একমাত্ৰ উপায়। যেতিয়াই তেওঁৰ কৃপা হয়, তেতিয়াই তেওঁ শুদ্ধ আৰু পৱিত্ৰ হৃদয়ত প্ৰকাশিত হয়। সেই নিৰ্ম্মল বিশুদ্ধ মানৱে ইহ জীৱনতেই তেওঁক দৰ্শন পায়। তেতিয়াই—তেতিয়াইহে তেওঁৰ সকলোবিলাক কুটিলতা নাশ হয় আৰু সকলো সন্দেহ দূৰ—তেওঁ কৰ্ম্ম-ফলৰ হাত সাৰি মুক্তি লাভ কৰে। হিন্দু-ধৰ্ম্মৰ এয়ে লক্ষ্য, হিন্দু-ধৰ্ম্মৰ এয়ে আচল

ভাৱ। হিন্দুবিলাকে অকল মত বা শাস্ত্ৰৰ বিচাৰতে সন্তুষ্ট নহয়। যদি কিবা অতীন্দ্ৰিয় স্থিতি থাকে, তেনেহলে তাৰো প্ৰমাণ লবলৈ মুখামুখি হব খোজে। যদি জড়ৰ সৈতে সম্বন্ধ নথকা আত্মা থাকে, যদি দয়াময় সৰ্ব্বব্যাপী পৰমাত্মা থাকে, তেনেহলে তেওঁ তেওঁৰ সাক্ষাত হবলৈ চেষ্টা কৰে। কাৰণ তেওঁক দৰ্শন নকৰিলে কেতিয়াও সন্দেহ দূৰ নহয়। গতিকে "মই আত্মাক দেখিছোঁ, মই ঈশ্বৰৰ সাক্ষাত পাইছোঁ," এয়ে সনাতন ধৰ্ম্মাৱলম্বী সাধু মণ্ডলীৰ আত্মা আৰু ঈশ্বৰ সম্পৰ্কে সৰ্ব্বোৎকৃষ্ট প্ৰমাণ। এনেকুৱা নহলে মানুহে কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে। হিন্দু ধৰ্ম্মই যেই সেই অনিৰ্দ্দিষ্ট মতবাদ বিশ্বাস নকৰে, অপৰোক্ষাণুভূতিয়েই ইয়াৰ মূল মন্ত্ৰ, অকল বিশ্বাস কৰাই নহয়, জীৱনত পৰিণত কৰাহে ইয়াৰ মূল উদ্দেশ্য।

ইয়াৰ পৰা বুজিব পৰা হৈছে যে ক্ৰমাগত অধ্যাৱসায় আৰু যত্নেৰে পূৰ্ণতা লাভ কৰা,—দেৱতা হোৱা ঈশ্বৰৰ সান্নিধ্য হোৱা আৰু তেওঁক দৰ্শন কৰাই হিন্দুসকলৰ সাধন প্ৰণালীৰ লক্ষ্য। এইদৰে ঈশ্বৰ-সান্নিধ্য লাভ কৰি, তেওঁক দৰ্শন কৰি, সেই সৰ্ব্ব-লোক-পিতা-ঈশ্বৰৰ নিচিনা পূৰ্ণ হোৱাই হিন্দুধৰ্ম্ম। যেতিয়া মানুহে পূৰ্ণতা লাভ কৰিব তেতিয়া তেওঁৰ কি হব? তেতিয়া তেওঁ নিত্যানন্দ ভোগ কৰে। যি সকলো লাভৰ পৰম লাভ স্বৰূপ পৰমেশ্বৰ—সেই পৰমানন্দ ধাম ঈশ্বৰক পাই তেওঁ পৰম আনন্দৰ অধিকাৰী হয়।

সকলো হিন্দুৰেই এই বিষয়ত এক মত। ভাৰতবৰ্ষীয় সকলো সম্প্ৰদায় এই বিষয়ত এক বাক্য। ইয়াৰ পৰা ইয়াকে বুজিব পৰা হৈছে যে নিৰ্ব্বিকল্প অৱস্থাৰ নাম পূৰ্ণাৱস্থা, আৰু সেই নিৰ্ব্বিকল্প অৱস্থা একমত, অদ্বিতীয় আৰু গুণাতীত— ইয়াত কেতিয়াও ব্যক্তিত্ব থাকিব নোৱাৰে। গতিকে যেতিয়া কোনো আত্মাই নিৰ্ব্বিকল্প পাবগৈ, তেতিয়া তেওঁ ব্ৰহ্মত লীন যাব। এনেকুৱা আত্মা দ্বৈত্য জ্ঞান পৰিশূন্য হোৱা গতিকে নিজে সৎ স্বৰূপ, জ্ঞান স্বৰূপ আৰু আনন্দ স্বৰূপ হব। মই পঢ়ি পাইছোঁ যে কোনো কোনো পাশ্চাত্য দাৰ্শনিক পণ্ডিতে আত্মাৰ এই ব্যক্তিত্ব বিনাশকে জড়াৱস্থা বুলি ভাৱে। এইটো তেওঁবিলাকৰ অনভিজ্ঞতাৰ বাহিৰে অইন একো নহয়।

মই ডাঠি কওঁ এই অতি চৰম অৱস্থা জড়াৱস্থা নহয়। যেতিয়া মই এই ক্ষুদ্ৰ দেহত আত্ম-জ্ঞান স্থাপন কৰি সুখ বোধ কৰিব পাৰিছোঁ; তেনেহলে মই যদি দুইটি দেহকে এনেকুৱা কৰোঁ, তেতিয়া হলে আৰু সুখবোধ কৰিব পাৰিম। এইদৰে তিনিটা, চাৰিটা, পাঁচোটা এনেকৈ দেহৰ সংখ্যা যিমানেই বাঢ়ি যাব, সেইদৰে মোৰ সুখো ক্ৰমান্বয়ে বাঢ়ি যাব। এনেকৈ যেতিয়া এই নিখিল বিশ্বতে মোৰ আত্ম-বোধ হব তেতিয়াই মোৰ আনন্দৰ পাৰ নোহোৱা হব। গতিকে সেই বিশ্ব-দেহ পাবলৈ হ'লে এই সামান্য ক্ষুদ্ৰ দেহ অৱশ্যেই অতিক্ৰম কৰিব লাগিব। যেতিয়া মই প্ৰাণময় হম তেতিয়াই মই মৃত্যুৰ পৰা নিষ্কৃতি পাম; তেতিয়াই মই আনন্দময় হম, তেতিয়াই দুখৰ হাত সাৰিম;

যেতিয়াই মই জ্ঞানময় হম, তেতিয়াই মই অজ্ঞান আন্ধাৰৰ পৰা দূৰ হম। আৰু এয়েহে প্ৰকৃত বৈজ্ঞানিক সিদ্ধান্ত। বিজ্ঞানে প্ৰমাণ কৰি দেখুৱাইছে যে আমি যে দেহক এটা প্ৰকৃত স্বতন্ত্ৰ বস্তু (individual) বুলি ভাবোঁ, সি ভুল; প্ৰকৃততে মোৰ শৰীৰ নিৰৱচ্ছিন্ন জড়-সমুদ্ৰৰ ভিতৰত প্ৰতিক্ষণে পৰিবৰ্ত্তিত হৈ থকা ক্ষুদ্ৰ বস্তু মাত্ৰ। আৰু মোৰ আধ্যাত্মিক অংশ আত্মাৰ সম্বন্ধে,—অদ্বৈত জ্ঞানেই হে একমাত্ৰ যুক্তিযুক্ত সিদ্ধান্ত।

অদ্বৈতই ধৰ্ম্ম বিজ্ঞান একত্ব শক্তিৰ অন্বেষণৰ **বিজ্ঞানৰ চৰম সিদ্ধান্ত** বাহিৰে অইন একো নহয়। যেতিয়াই বিজ্ঞানে এই কথা উলিয়াব পাৰিব, তেতিয়াই উন্নতিৰ চৰম সীমাত থিয় হবগৈ। যেনেকৈ ৰসায়ন শাস্ত্ৰই যদি এনেকুৱা এটা পদাৰ্থ আবিষ্কাৰ কৰিব পাৰে, যিহৰ পৰা সকলোবিলাক পদাৰ্থ তৈয়াৰ কৰিব পাৰি, তেনেহলে ই চৰম উন্নতি লাভ কৰিলে! পদাৰ্থ বিদ্যাই যদি এনেকুৱা এটা শক্তিৰ তত্ত্ব জানিব পাৰে, যিহৰ পৰা অইন অইন শক্তি উদ্ভুত হৈছে, তেনেহলে ই সম্পূৰ্ণ হ'ল। আৰু ধৰ্ম্ম বিজ্ঞানেও যেতিয়াই সেই একমাত্ৰ মূল কাৰণক দেখিবলৈ পাব, যি এই মৰ্ত্ত্যলোকৰ একমাত্ৰ অমৃত স্বৰূপ, যি নিত্যপৰিবৰ্ত্তনশীল জগতৰ একমাত্ৰ অটল-অচল ভিত্তিমূল, যি একমাত্ৰ পৰমাত্মা—অন্যান্য আত্মা যাৰ প্ৰতিবিম্ব স্বৰূপ, তেতিয়া পূৰ্ণতা লাভ কৰিব। এইদৰে বহু-ঈশ্বৰ-বাদ, দ্বৈতবাদ প্ৰভৃতিৰ মাজেদি গৈ অদ্বৈতবাদ পালেগৈ ধৰ্ম্ম বিজ্ঞানে এখোজকে আগ বাঢ়িব নোৱাৰে।

হিন্দু ধৰ্ম্ম ও বিজ্ঞানৰ সামঞ্জস্য বিজ্ঞান শাস্ত্ৰৰো চৰম সীমা এয়ে। সকলো বিজ্ঞান শাস্ত্ৰ অৱশেষত এই সিদ্ধান্তকেই ঠিক কৰিব লাগিব। আজি কালি বৈজ্ঞানিক সকলে এই পৰিদৃশ্যমান জগতক "সৃষ্টি" নাম দিব নোখোজে। তেওঁবিলাকে কয় যে জগতে প্ৰতি মুহূৰ্ত্ততে নতুন নতুন আকাৰ ধৰি ৰূপত 'বিকাশ' হৈছে। হিন্দু-সন্তান সকলে চিৰকালৰ পৰা এই একে .ভাৱকে পোষণ কৰি আহিছে ; কিন্তু এতিয়া বৈজ্ঞানিক সকলে সেই একে কথাকে অনেক প্ৰমাণ দি বুকু ফিন্দাই তেজস্বী ভাষাত কোৱাত তেওঁবিলাকৰ মনত আনন্দৰ সঞ্চাৰ হৈছে।

এতিয়া বেদান্তৰ ওখ টিঙৰ পৰা নামি আহি চকু নগজা সকলৰ ধৰ্ম্মৰ বিষয়ে আলোচনা কৰিব খুজিছোঁ।

প্ৰথমতে মই এই কথাষাৰি কৈ থওঁ যে ভাৰতবৰ্ষত বহু ঈশ্বৰবাদ নাই। যদি কোনোবাই প্ৰতি দেৱালয়ৰ ওচৰত থিয় হৈ শুনে, তেনেহলে তেওঁ শুনিব যে সেই পূজাৰীয়ে ঈশ্বৰৰ সকলোবিলাক গুণ আনকি সৰ্ব্বব্যাপী গুণো সেই দেৱবিগ্ৰহত আৰোপণ কৰিছে। এই প্ৰকাৰ পূজাক কোনোমতে বহু ঈশ্বৰ বাদ বা অন্য কোনো বাদ বুলি কব নোৱাৰি। গোলাপ-ফুলক যি নামকে দিয়া তেও তাৰ যি গোন্ধ সেই গোন্ধেই থাকিব ; অইন নামেৰে মাতিলে তাৰ গোন্ধৰ হানি নহয়। নামে কোনো কথা ব্যাখ্যা নকৰে।

সৰ্ব্বকালত মই এজন খৃষ্টান পাদুৰীয়ে বহুত মানুহৰ আগত

ধৰ্ম্মৰ বক্তৃতা দিয়া শুনিছিলোঁ। অনেক সুমধুৰ কথা কৈ কৈ অৱশেষত তেওঁ কবলৈ ধৰিলে, "হে ভ্ৰান্ত জীৱবিলাক! মই যদি তোমালোকৰ দেৱ মূৰ্ত্তিক এই লাঠিডালেৰে খোঁচ মাৰি দিওঁ, তেনেহলে সেই মূৰ্ত্তিয়ে মোক কিবা কৰিব পাৰিব নে?" সেই মানুহ জুমৰ মাজৰ পৰা এজনে মাত লগাই কলে, "মই যদি তোমাৰ ঈশ্বৰক গালি পাৰোঁ, তেনেহলে তোমাৰ ঈশ্বৰে মোক কিবা কৰিব পাৰিব নে?" পাদুৰীয়ে উত্তৰ দিলে, মৃত্যুৰ পিচত তোমাৰ শাস্তি হব। তেতিয়া সেই মানুহজনেও উত্তৰ দিলে, "তুমি মৰিলেও আমাৰ দেৱতাই তোমাক উচিত শাস্তি দিব।"

গুটিৰ পৰাহে গছ চিনিব পাৰি। আৰু যেতিয়া আমি দেখোঁ যে যিবিলাকক আমি পৌত্তলিক বোলোঁ সেইবিলাকৰ ভিতৰত এনেকুৱা একোজন মানুহ আছে যাৰ নিচিনা চৰিত্ৰৱান আধ্যাত্মিক ভাৱপূৰ্ণ আৰু প্ৰেমিক কেতিয়াও কোনো ঠাইত দেখা নাই; তেতিয়া এই প্ৰশ্ন আপোনা-আপুনি মনত উদয় হয় "পাপৰ পৰা কোনোবা কাহানীত পৱিত্ৰতা জন্মিব পাৰে নে?"

মূৰ্ত্তি বিনা চিন্তা অসম্ভব। হওতে কু-সংস্কাৰ মানুহৰ শত্ৰু হয়, কিন্তু সংকীৰ্ণতা তাতোকৈ ঘোৰতৰ শত্ৰু। হয় বাৰু, যদি ঈশ্বৰ সৰ্ব্বব্যাপী, তেনেহলে খৃষ্টানবিলাকে কিয় ধৰ্ম্মালয় বুলি এডোখৰ সুকীয়া ঠাইত ঈশ্বৰ আৰাধনা কৰিবলৈ যাব? কিয় তেওঁৰ ক্ৰুছক ইমান পৱিত্ৰ বোলে? প্ৰাৰ্থনাৰ সময়ত কিয় তেওঁবিলাকে ওপৰৰ ফালে চায়?

কেথলিক সম্প্ৰদায়ৰ কিয় ইমানবোৰ মূৰ্ত্তি আছে ? প্ৰাৰ্থনাৰ সময়ত কিয় প্ৰোটেষ্টাণ্টবিলাকৰ মনত এনেকুৱা ভাৱময়-মূৰ্ত্তিৰ বিকাশ হয় ? হে ভ্ৰাতৃসকল ! উশাহ নোলোৱাকৈ যেনেকৈ জীৱন ধাৰণ কৰিব নোৱাৰি সেইদৰে ঈশ্বৰ আৰাধনাৰ সময়তো যেই সেই মূৰ্ত্তিৰ সহায় নোলোৱাকৈ ঈশ্বৰক ধ্যান কৰা অসম্ভৱ। জড়-মূৰ্ত্তিৰ পৰা মানসিক ভাৱ উদয় হয় ; আৰু মানসিক ভাৱৰ পৰা মূৰ্ত্তি কল্পনা কৰা যায় ; ই ভাৱসংযোগৰ স্বাভাৱিক নিয়ম। জগতত প্ৰায় সকলো মানুহে নিৰাকাৰ-ব্ৰহ্মৰ ভাৱ হৃদয়ঙ্গম কৰিব নোৱাৰে। ঈশ্বৰৰ কিবা বিস্তৃতি আছে নে ? এইটোও যদি স্বীকাৰ কৰিব নোখোজা তথাপি "সৰ্ব্বব্যাপী শব্দটি মনত সুঁৱৰিলে আমাৰ মনত অতি টানি মানি আকাশ নাইবা বিশাল পৃথিবীৰ ভাৱৰ বাহিৰে অইন একো ভাৱ উদয় হব নোৱাৰে। গতিকে মানুহৰ স্বভাৱানুসৰি যেনে তেনে প্ৰকাৰে আমি আমাৰ অনন্ত ভাৱবিলাক উপলব্ধি কৰিবৰ সময়ত অনন্ত নীলাকাশৰ বা অপাৰ সমুদ্ৰৰ ভাৱবিলাক আপোনা আপুনি মনত পৰে ; সেইদৰে আমাৰ সৰ্ব্বব্যাপিত্ব আৰু পৱিত্ৰতা ভাৱ-বিলাক আমাৰ নিজ নিজ স্বভাৱানুসাৰে গিৰ্জ্জাঘৰ, মছজিদ্ বা ক্ৰুছৰ সৈতে সংযোগ কৰি থওঁ ; ঠিক সেইদৰেই হিন্দুসকলেও তেওঁবিলাকৰ পবিত্ৰতা, নিত্যত্ব, সৰ্ব্বব্যাপিত্ব—এনেকুৱা ভাৱ-বিলাক নানা ৰূপে দেৱ মূৰ্ত্তিত সন্মিলিত কৰি থৈছে। কিন্তু এই খিনিতে এই কণেই প্ৰভেদ আছে যে কোনোৱে নিজৰ গোটেই জীৱন নিজ ধৰ্ম্মৰ চাৰি বেৰৰ ভিতৰতে সুমাই কটাইছে

আৰু আনফালে এখোপকে উধাব পৰা নাই কাৰণ তেওঁবিলাকৰ মতে ধৰ্ম্ম হৈছে কিছুমান নিয়ম পালন কৰা, আৰু অইনৰ উপকাৰ কৰা, ইয়াৰ বাহিৰে অইন একো নহয়। কিন্তু হিন্দুবিলাকে নিজৰ আত্মাত বিশ্বাত্মাৰ অনুভূতিকেই ব্ৰহ্মৰ উপলব্ধিকেই প্ৰধান আৰু চৰম লক্ষ্যৰূপে ধৰি আছে। মানুহে ঈশ্বৰ উপলব্ধিৰ দ্বাৰা ঈশ্বৰত্ব পাব লাগিব। গতিকে দেৱী মূৰ্ত্তিকেই হওক বা ধৰ্ম্ম শাস্ত্ৰই হওক এই সকলোবিলাক তেওঁৰ ধৰ্ম্ম-জীৱনৰ বাল্যাৱস্থাৰ সহকাৰী মাথোন। এইবিলাক তেওঁৰ চৰম উদ্দেশ্য বা লক্ষ্য নহয়। তেওঁ ক্ৰমান্বয়ে আগবাঢ়ি যাব লাগিব। তেওঁ ক'তো ৰব নোৱাৰে।

বেদে কৈছে, "বাহ্যিক-পূজা আৰু মূৰ্ত্তি-পূজা প্ৰথমাৱস্থাৰ কাৰ্য্য। অলপ উধাবলৈ মানসিক প্ৰাৰ্থনাৰ যি চেষ্টা কৰা হয়, সেয়ে দ্বিতীয় অৱস্থা, কিন্তু ঈশ্বৰৰ সাক্ষাত হোৱা আৰু তেওঁক উপলব্ধি কৰাই হৈছে চৰম লক্ষ্য। ভক্তই কৰযোৰ কৰি আঠু কাঢ়ি দেৱ-মূৰ্ত্তিক পূজা কৰি কি কয় শুনাহঁক "সূৰ্য্যই তেওঁক প্ৰকাশ কৰিব নোৱাৰে, চন্দ্ৰ, তাৰা আৰু বিজুলীয়েও তেওঁক প্ৰকাশ কৰিব নোৱাৰে; গতিকে অগ্নিয়ে তেওঁক কেনেকৈ প্ৰকাশ কৰিব পাৰিব? কিন্তু এই সকলোবিলাকহে তেওঁৰ দ্বাৰা প্ৰকাশিত হৈছে।" কিন্তু তেওঁ কাৰো মূৰ্ত্তিকেই ঘিণ কৰা নাই আৰু মূৰ্ত্তি পূজা পাপ বুলিও কোৱা নাই। তেওঁ এনেকুৱা পূজাক জীৱনৰ এক অত্যাৱশ্যক অৱস্থা বুলিহে কৈছে। "লৰা-কাল মানুহৰ ভবিষ্যত জীৱনৰ জন্মদাতা"। বুঢ়াই যদি

বাল্য আৰু যৌৱনকালক পাপৰ অৱস্থা বুলি ঘিণ কৰে তেনেহলে তেওঁক হাঁহিবলগীয়া নহয় নে ? কিন্তু হিন্দুধৰ্ম্মত এনেকুৱা নিয়মো নাই যে সকলোৱে মূৰ্ত্তি পূজা কৰিব লাগিব।

মূৰ্ত্তি পূজা তলৰ খাপৰ আস্থা কিন্তু ভ্ৰম নহয়।

যদি কোনোবাই মূৰ্ত্তি পূজা কৰি সহজে নিজৰ ব্ৰহ্ম-ভাৱ উপলব্ধি কৰিব পাৰে, তেনেহলে ইয়াক পাপ বুলি ভৱাটো যুক্তি সঙ্গত হব নে ? আনকি তেওঁ এই অৱস্থা এৰি গলেও, তেওঁৰ পক্ষে এইটো ভ্ৰমাত্মক বুলি কোৱা সঙ্গত নহয়। হিন্দুবিলাকৰ মতে মানুহে ভ্ৰমৰ পৰা সত্যলৈ যোৱা নাই, কিন্তু সত্যৰ পৰা সত্যলৈহে গৈছে ; তল খাপৰ সত্যৰ পৰা ওপৰ খাপৰ সত্যলৈ ক্ৰমান্বয়ে যাব লাগিছে। হিন্দুবিলাকৰ মতে ক্ষুদ্ৰ অজ্ঞানীসকলৰ ধৰ্ম্মৰ পৰা বেদান্তৰ অদ্বৈতবাদলৈকে সকলোবিলাক ধৰ্ম্মই অনাদি পৰম ব্ৰহ্মৰ উপলব্ধি সোপান মাথোন। জন্ম আৰু অৱস্থাভেদে যাৰ পক্ষে যি উপযোগী তেওঁ তাকে আশ্ৰয় কৰি ইটোক এৰি সিটোক ধৰি আগুৱাই যায়। এইদৰে ক্ৰমান্বয়ে শক্তিশালী হৈ সৱশেষত সেই মহান্ সূৰ্য্যৰ ওচৰ চাপেগৈ।

বহুত্বৰ মাজত একত্বই হৈছে প্ৰকৃতিৰ নিয়ম ! হিন্দুসকলে এই কথা ভালকৈ উপলব্ধি কৰিছে। অন্যান্য ধৰ্ম্মত কিছুমান মত বিধিবদ্ধ কৰি তাকে সমগ্ৰ জগতকে মানিবলৈ বাধ্য কৰে আৰু এটা জোখৰ এটা ছোলাকে ৰাম, হৰি, যদু সকলোৰে গাত বলেৰে পিন্ধাই দিবলৈ চেষ্টা কৰে। যদি যদু বা হৰিৰ গাত সেই ছোলাটো নোসোমায় তেনেহলে সিহঁত উদঙ্গ থাকিব লাগিব।

হিন্দু ঋষিসকলে ভালকৈ বুজিছে যে সাপেক্ষক আশ্ৰয় কৰিহে নিৰপক্ষ তত্ত্বৰ ধাৰণা উপলব্ধি কৰা সম্ভৱ। গতিকে তেওঁবিলাকৰ মতে হিন্দুবিলাকৰ দেৱ-মূৰ্ত্তি, খৃষ্টানবিলাকৰ ক্ৰুছ আৰু মুছলমান-বিলাকৰ চন্দ্ৰ-কলা আদি আধ্যাত্মিক উন্নতিৰ সহায়হে মাথোন। তেওঁবিলাকে এনেকুৱা কথা কব নোখোজে এনেকুৱা আশ্ৰয় সকলোৰে পক্ষে আৱশ্যক, কিন্তু অধিকাংশ মানুহেই ইয়াৰ পৰা যে পৰম উপকাৰ পাইছে তাৰ অকণো ভুল নাই।

গতিকে যিবিলাকৰ ইয়াৰ কোনো আৱশ্যক নাই তেওঁবিলাকে অন্যক "এইটো অন্যায়" বুলি কবৰ কোনো অধিকাৰ নাই।

আৰু এফাঁকি কথা কবৰ মোৰ আৱশ্যক আছে। ভাৰতবৰ্ষত মূৰ্ত্তি-পূজাই একো দুষ্কৰ্ম্ম কৰা নুবুজায়। ই বেয়া স্বভাৱকো প্ৰশ্ৰয় নিদিয়ে। বৰং ই দুৰ্ব্বল মনৰ মানুহক ধৰ্ম্মৰ উচ্চ ভাৱৰ ধাৰণা কৰিবলৈ বিশেষ সহায়হে কৰে। হিন্দুবিলাকৰ অৱশ্যে

হিন্দু ও খৃষ্টান ধৰ্ম্মৰ পাৰ্থক্য

অনেক দোষ আছে, কিন্তু এইটিও জানি থোৱা উচিত যে ইয়াৰ পৰা তেওঁবিলাকে নিজে নিজৰ শৰীৰকহে কষ্ট দিয়ে; আনক ডিঙ্গি কাটিবলৈ তেওঁবিলাকে কেতিয়াও আগ নাবাঢ়ে। হিন্দু নৰ-নাৰীয়ে কেতিয়াবা ধৰ্ম্মোন্মাদ হৈ নিজে জুইত জাপদি পুৰি মৰে, কিন্তু বিধৰ্ম্মিক পুৰিবলৈ তেওঁবিলাকে কেতিয়াও জুই নধৰে। যদি ইয়াকো পাপ বুলি কোৱা, তেন্তে এই পাপ অকল হিন্দু-ধৰ্ম্মৰেই নহয়। খৃষ্টিয়ানবিলাকে ডাকিনী বুলি যিবিলাক তিৰোতাক পুৰি মাৰিছে, সেইটো খৃষ্টধৰ্ম্মৰ দোষ নে তেওঁবিলাকৰ নিজৰ দোষ ?

গতিকে হিন্দুবিলাকৰ মতে গোটেই ধৰ্ম্ম-জগতখন নানা ৰুচি বিশিষ্ট নৰ-নাৰীৰ নানা অৱস্থাৰ মাজেদি গৈ সেই একমাত্ৰ ঈশ্বৰোপলব্ধিৰ পথত আগ বঢ়াৰ উপায়, অইন একো নহয়। প্ৰত্যেক ধৰ্ম্ময়ে জড়-ভাৱাপন্ন মনুষ্যক ব্ৰহ্মত পৰিণত কৰিবৰ কাৰণে নিযুক্ত আৰু সেই একেজন ঈশ্বৰেই সকলো ধৰ্ম্ম-পথ প্ৰকাশ কৰিছে। তেনেহলে ধৰ্ম্ম-বিলাক পৰস্পৰে ইমান বিৰোধ ভাৱ কিয়? হিন্দু সকলে কয় যে ওপৰে ওপৰেহে এনেকুৱা দেখা যায়; কিন্তু বাস্তৱিকতে তেনেকুৱা নহয়। ভিন্নাৱস্থাপন্ন বিভিন্ন প্ৰকৃতি মানুহৰ উপযোগী হবৰ কাৰণে সেই এক সত্যই এনেকুৱা পৰস্পৰ বিৰুদ্ধ ভাৱ ধাৰণ কৰিছে।

আৰ্চিৰ একে পোহৰেই ভিন্ ভিন্ বৰণৰ মাজে অহা কাৰণেহে এনেকুৱা ভিন্ ভিন্ হৈছে। প্ৰত্যেক স্বভাৱৰ উপযোগী হবৰ কাৰণেহে এইবিলাক বিভিন্নতা আৱশ্যক হৈছে। কিন্তু সকলোৰে অন্তস্তলত আৰু প্ৰত্যেক ধৰ্ম্মতে সেই এক সত্যই ৰাজত্ব কৰিছে। শ্ৰীকৃষ্ণ অৱতাৰত কৈছে—"মনিবিলাকে যেনেকৈ সূতাকে আশ্ৰয় কৰি আছে, সেইদৰে সকলো ধৰ্ম্মই মোকে আশ্ৰয় কৰি আছে। যিয়েই অতিশয় প্ৰভাৱশালী বা অতিশয় সুন্দৰ আৰু পৱিত্ৰ তাতেই মোৰ শক্তি নিহিত আছে বুলি জানিবা। এই শিক্ষাৰ ফল কি? মই ডাঠকৈ গোটেই জগতকে জনাইছোঁ৷ সকলো সংস্কৃত ধৰ্ম্ম-শাস্ত্ৰৰ ভিতৰত— হিন্দুৱেই একমাত্ৰ মুক্তিৰ অধিকাৰী আৰু অইন কোনো নহয়·— এনেকুৱা ভাৱ কোনোৱে দেখুৱাব নোৱাৰে। ভগবান

কৃষ্ণদ্বৈপায়ন বেদব্যাসে কৈছে,—“ভিন্ন জাতীয় ভিন্ন মতাৱলম্বীৰ মাজতো আমি সিদ্ধ-পুৰুষ দেখিবলৈ পাওঁ।”

আৰু এফাঁকি কথা আছে। কোনোৱে এনেকুৱা প্ৰশ্নও কৰিব পাৰে যে সৰ্ব্বতোভাৱে আস্তিক্য বুদ্ধি বিশিষ্ট হিন্দুবিলাকে অজ্ঞেয়বাদী বৌদ্ধ আৰু নিৰীশ্বৰবাদী জৈনবিলাকৰ মতবিলাক কেনেকৈ বিশ্বাস কৰে ?

বৌদ্ধ আৰু জৈনবিলাকে ঈশ্বৰৰ ওপৰত একোকে নিৰ্ভৰ নকৰে ; কিন্তু মানুহৰ ভিতৰত ঈশ্বৰত্ব দেখা পোৱা তেওঁবিলাকৰ ধৰ্ম্মৰ একমাত্ৰ লক্ষ্য। তেওঁবিলাকে ঈশ্বৰ মানক বা নামানক, কিন্তু নিজক দেৱতা কৰাই তেওঁবিলাকৰ মুখ্য উদ্দেশ্য—আৰু সকলো ধৰ্ম্মৰে উদ্দেশ্য এয়েই। তেওঁবিলাকে জগত-পিতা জগদীশ্বৰক দেখা নাই সঁচা ; কিন্তু তেওঁৰ পুত্ৰ স্বৰূপ আদৰ্শ মনুষ্য বুদ্ধদেৱক আৰু নিজক দেখিছে। পুত্ৰক দেখিলেই পিতাক দেখাৰ সমান।

ভ্ৰাতৃ সকল! হিন্দু ধৰ্ম্মৰ সংক্ষিপ্ত ভাৱ মই আপোনা-লোকৰ ওচৰত চমুকৈ বৰ্ণনা কৰিলোঁ। হিন্দুসকলে নিজৰ উদ্দেশ্য সাধন কৰিবলৈ গৈ হয়তো অনেক সময়ত অনেক বিষয়ত সফল হব নোৱাৰিব পাৰে, যদি কেতিয়াবা এক সৰ্ব্ববাদীসম্মত ধৰ্ম্মৰ উদ্ভৱ হয়, তেনেহলে দেশ-কালৰ দ্বাৰা কেতিয়াও সেই ধৰ্ম্ম আবদ্ধ থাকিব নোৱাৰে। অনন্ত ভগবানৰ নিচিনাকৈ গোটেই জগততে সি বিয়পি পৰিব আৰু সেই অনন্ত ভগবানৰ নিচিনা অনন্ত হব ; সেই ধৰ্ম্ম-সূৰ্য্যই কৃষ্ণ-ভক্ত বা খৃষ্ট-ভক্ত, সাধু-অসাধু

সকলোৰে ওপৰতে সমান ভাৱে নিজৰ কিৰণ বিস্তাৰ কৰিব। সেই ধৰ্ম্ম অকল ব্ৰাহ্মণ-ধৰ্ম্ম বা বৌদ্ধ-ধৰ্ম্ম, খৃষ্টান-ধৰ্ম্ম বা মুছলমান-ধৰ্ম্ম নহয়, সকলো ধৰ্ম্মৰ সমষ্টি স্বৰূপ হব ; অথচ সেই ধৰ্ম্মতে উন্নতিৰ অনন্ত-পথ মুকলি হৈ থাকিব। সেই ধৰ্ম্ম এনেকুৱা সাৰ্ব্বভৌমিক আৰু সাৰ্ব্বজনিক হব যে সেই ধৰ্ম্মৰ অসংখ্য প্ৰচাৰিত হাতেৰে পৃথিবীৰ সকলো প্ৰকাৰৰ নৰ-নাৰীক সাদৰেৰে আলিঙ্গন কৰিব। যিবিলাকৰ বুদ্ধি পশুৰ তুল্য বুলিলেও অত্যুক্তি কৰা নহয় তেনেকুৱাবিলাকক আদি কৰি নিজ গুণে আৰু হৃদয় মনৰ উৎকৃষ্ট গুণৰাশিৰ দ্বাৰা যি সকলে মানৱজাতিৰ উচ্চ-স্থান অধিকাৰ কৰিছে, আৰু সমাজে যি সকলক সাধাৰণ মানুহ বুলিবলৈ সাহ নকৰি দেৱতাৰ নিচিনাকৈ পূজা কৰি আছে, সেই সকলকে আদি কৰি সেই বিশ্ব-জনীন ধৰ্ম্মৰ কোলাত ঠাই পাব। সেই ধৰ্ম্ম এনেকুৱা হব যে, তাত কাৰো প্ৰতি কোনেও বিদ্বেষ বা উৎপীড়ন কৰিবলৈ ঠাই নেথাকিব—প্ৰত্যেক নৰ-নাৰীক দেৱতাৰ নিচিনা বুলি ভাবিব ; আৰু এই ধৰ্ম্মৰ সকলো শক্তি সকলো মনুষ্যজাতিৰ নিজ নিজ দেৱ স্বভাৱোপলব্ধি কৰিবলৈ সততে সাজু থাকিব।

এনেকুৱা সাৰ্ব্বভৌমিক ধৰ্ম্ম প্ৰচাৰ কৰা, সকলো জাতিয়েই তোমাৰ অনুগামী হব। অশোকৰ ধৰ্ম্ম-সভা কেৱল বৌদ্ধবিলাকৰ কাৰণেহে আছিল। আকবৰৰ ধৰ্ম্ম-সভাত যদিও সকলো ধৰ্ম্মৰে ঠাই আছিল তথাপি সেই ধৰ্ম্ম সভা নিচেই ঠেক সীমাৰ ভিতৰতে আৱদ্ধ আছিল। "সকলো ধৰ্ম্মতে ঈশ্বৰ আছে" এই কথা ঘোষণা কৰাৰ গৌৰব আমেৰিকাৰ কাৰণেহে আছিল।

যি জন হিন্দুৰ ব্ৰহ্ম, পাৰছীবিলাকৰ অহুৰ মজদ্, বৌদ্ধ বিলাকৰ বুদ্ধ, মুছলমানৰ আল্লা ইহুদীবিলাকৰ জিহোবা, খৃষ্টানবিলাকৰ স্বৰ্গত থকা পিতা, সেই জনেই এই মহৎ উদ্দেশ্য কাৰ্য্যত পৰিণত কৰিবলৈ আপোনালোকক অশেষ শক্তি দিয়ক। পূবাকাশত নক্ষত্ৰ উদয় হৈ, কেতিয়াবা অতি উজ্জ্বল হৈ আৰু কেতিয়াবা টিমিক-টামাক পোহৰ দি পশ্চিম ফালে মাৰ গল। ক্ৰমান্বয়ে গোটেই জগত প্ৰদক্ষিণ কৰি সহস্ৰ গুণে উজ্জ্বল হৈ আকৌ পূবাকাশত ওলাইছেহি। হে স্বাধীনতাৰ মাতৃ-ভূমি কলম্বিয়া! তুমি কাহানিও তোমাৰ ওচৰ চুবুৰীয়াৰ তেজেৰে তোমাৰ হাত ৰাঙলী কৰা নাই। তুমি ওচৰ চুবুৰীয়াৰ ধন-বস্তু লুটি আনি নিজে চহকী হবলৈও চেষ্টা কৰা নাই। গতিকে তুমিয়েই সভ্য-জগতৰ আগ-ৰণুৱা হৈ শান্তি-পতাকা উৰাব পাৰা; আৰু তুমিয়েই সেই কাৰ্য্যৰ অধিকাৰিণী।

দশম দিনৰ অধিবেশন।

(২০ চেপ্টেম্বৰ)

ভাৰতবৰ্ষই ধৰ্ম্মৰ অভাৱত কন্দা নাই।

খৃষ্টানবিলাকে সদায় সৎসমালোচনাৰ কাৰণে প্ৰস্তুত থকা উচিত। আৰু মই মোৰ ক্ষুদ্ৰ বুদ্ধি অনুসাৰে যদি আপোনালোকৰ কোনো কথা খুচৰি উলিয়াই দিওঁ তাত যেন আপোনালোকে অলপকে বেয়া নাপায়। হে খৃষ্টানসকল! আপোনালোকে পৌত্তলিকবিলাকৰ আত্মাক উদ্ধাৰ কৰিবলৈ ধৰ্ম্মপ্ৰচাৰক পঠিয়াবৰ কাৰণে সদায় ব্যস্ত; কিন্তু আপোনালোকে অনাহাৰৰ পৰা তেওঁবিলাকৰ জীৱন ৰক্ষা কৰিবলৈ চেষ্টা নকৰে কিয়? ভাৰতবৰ্ষত দুৰ্ভিক্ষৰ সময়ত সহস্ৰ সহস্ৰ হিন্দু নৰ-নাৰীয়ে ভোকত মৃত্যুৰ মুখত পৰি প্ৰাণত্যাগ কৰিছে—কিন্তু খৃষ্টানসকল! আপোনালোকে সেই বিষয়ে অকণো মনোযোগ নিদিয়ে। আপোনালোকে সমগ্ৰ ভাৰতত ধৰ্ম্ম-মন্দিৰ সাজিবলৈ সদায় ব্যস্ত কিন্তু ভাৰতবাসী সকলৰ যথেষ্ট ধৰ্ম্ম আছে; তেওঁবিলাৰ শুষ্ক কণ্ঠ কেৱলমাত্ৰ এমুঠি অন্নৰ কাৰণে বৈ আছে। তেওঁবিলাকে বিচাৰিছে ভাত, আমি দিছোঁ শিল-গুটি; ক্ষুধাৰ্ত্ত মানুহক ধৰ্ম্মৰ কথা কোৱা বা দৰ্শন-শাস্ত্ৰ বুজোৱা বিড়ম্বনাহে মাথোন। ভাৰতবৰ্ষত যি ধৰ্ম্মপ্ৰচাৰকে ধন লৈ ধৰ্ম্মপ্ৰচাৰ কৰে তেওঁৰ জাত যায়; আৰু সকলোৱে তেওঁক ঘিণ কৰে। মই মোৰ ক্ষুধাৰ্ত্ত স্বদেশ-



PLEASE HANDLE THE BOOK CAREFULLY

বাসীবিলাকৰ নিমিত্তে ভিক্ষা বিচাৰিহে আপোনালোকৰ ওচৰলৈ আহিছোঁ। কিন্তু খৃষ্টানবিলাকৰ পৰা পৌত্তলিকবিলাকৰ নিমিত্তে সাহায্য পোৱা কি যে দুৰূহ কথা তাক মই ভালকৈ বুজিব পাৰিছোঁ।

ষোড়শ দিনৰ অধিবেশন।

(২৬ চেপ্টেম্বৰ)

বৌদ্ধধৰ্ম্মৰ সৈতে হিন্দুধৰ্ম্মৰ সম্বন্ধ।

সভাপতি মহাশয়, ভ্ৰাতৃ মণ্ডলী আৰু উৎসাহদাতাসকল, আপোনাসব সকলোৱে শুনিছে যে মই বৌদ্ধ নহওঁ; কিন্তু মই বৌদ্ধ এই বুলি কলেও কোনো দোষ নহয়। চীন, জাপান আৰু লঙ্কাদ্বীপে সেই লোকগুৰু বুদ্ধদেৱৰ উপদেশ অনুসৰণ কৰিব পাৰে, কিন্তু ভাৰতবৰ্ষই তেওঁক ঈশ্বৰ বুলি পূজা কৰে। আপোনা-সকলে অলপ আগেয়ে শুনিছিল যে মই বৌদ্ধধৰ্ম্ম সম্বন্ধে আলোচনা কৰিবলৈ সাজু হৈছোঁ—কিন্তু ইয়াৰ অৰ্থ দোষ দেখুৱা নহয়, যাক ঈশ্বৰৰ অৱতাৰ বুলি আমি পূজা কৰোঁ, তেওঁৰ দোষ দেখুৱা মোৰ অভিপ্ৰায় নহয়। কিন্তু বুদ্ধদেৱৰ সম্পৰ্কে মোৰ এয়ে মত যে তেওঁক তেওঁৰ শিষ্যবিলাকে ভালকৈ বুজিব পৰা নাই। ইহুদী ধৰ্ম্মৰ সৈতে খৃষ্টানধৰ্ম্মৰ যি সম্বন্ধ, হিন্দুধৰ্ম্ম অৰ্থাৎ বেদ বিহিত ধৰ্ম্মৰ সৈতেও বৰ্ত্তমান সময়ৰ বৌদ্ধধৰ্ম্মৰ প্ৰায় সেই একে সম্বন্ধই। যীশুখৃষ্ট ইহুদী জাতিৰ আৰু শাক্য-মুনি হিন্দু জাতিৰ আছিল। কিন্তু প্ৰভেদ এই কণেই যে ইহুদীবিলাকে যীশুখৃষ্টক পৰিত্যাগ কৰিলে আনকি তেওঁক শূলত দি হত্যা কৰিলে, কিন্তু হিন্দুবিলাকে শাক্য-মুনিক ঈশ্বৰৰ উচ্চাসন দি এতিয়াও তেওঁক পূজা কৰি আছে। কিন্তু বৰ্ত্তমান বৌদ্ধধৰ্ম্মৰ

সৈতে বুদ্ধদেৱৰ যথাৰ্থ শিক্ষাৰ পাৰ্থক্য মই প্ৰধানতে ইয়াকে দেখুৱাব খোজোঁ, শাক্য-মুনিয়ে কোনো নতুন মত প্ৰচাৰ কৰিবলৈ অহা নাই। যীশুৰ নিচিনাকৈ তেওঁ পূৰ্ণ কৰিবলৈহে আহিছিল, ধ্বংস কৰিবলৈ অহা নাই। প্ৰভেদ এয়ে যে যেনেকৈ ইহুদী-বিলাকে প্ৰাচীন ধৰ্ম্ম-পুস্তকৰ পূৰ্ণতা উপলব্ধি কৰিব নোৱাৰিলে, সেইদৰে বুদ্ধদেৱৰ শিষ্যবিলাকে বৌদ্ধধৰ্ম্ম যে হিন্দুধৰ্ম্মৰ সত্য-বিলাকৰে পৰিণতি তাকো বুজিব পৰা নাই। মই আকৌ কৈছোঁ শাক্য-মুনিয়ে পূৰ্ণ কৰিবলৈহে আহিছিল—ধ্বংস কৰিবলৈ অহা নাই। হিন্দুধৰ্ম্মৰ স্বাভাৱিক পৰিণতি—স্বাভাৱিক বিকাশ হলে যি হয় তেওঁ তাকেই দেখুৱাই গৈছে।

হিন্দু-ধৰ্ম্ম দুইভাগে বিভক্ত হৈছে—কৰ্ম্মকাণ্ড আৰু জ্ঞান কাণ্ড। সন্ন্যাসীসকলেই জ্ঞানকাণ্ডৰ আলোচনা কৰে; আৰু জ্ঞানকাণ্ডত জাতিভেদ নাই। অতি উচ্চ বৰ্ণৰ লোকৰ সন্ন্যাসত যি অধিকাৰ, অতি হীন জাতিৰ মানুহৰো সেই একে অধিকাৰ—সন্ন্যাস হলে দুয়ো সমান। যথাৰ্থ ধৰ্ম্মত জাতি ভেদ নাই। জাতি ভেদ কেৱল সামাজিক অৱস্থানুসাৰেহে হয়। শাক্য-মুনি নিজে সন্ন্যাসী আছিল আৰু বেদত যিবিলাক সত্য লুকাই আছিল, তেওঁ সেই সকলোবিলাক সত্য পৃথিৱীৰ যাবদীয় জনসাধাৰণক বুজাই দিছিল। জগতত প্ৰকৃত পক্ষতে তেৱেঁইহে ধৰ্ম্ম-প্ৰচাৰৰ প্ৰধান গুৰু। তেৱেঁই পোন প্ৰথমে অইন ধৰ্ম্মৰ পৰা নিজ ধৰ্ম্মলৈ বহুত মানুহক আনি এক ধৰ্ম্মৰ পৰা অন্য ধৰ্ম্মলৈ নিয়াৰ প্ৰথম পথ প্ৰদৰ্শক।

সকলোৰে প্ৰতি বিশেষকৈ অজ্ঞান আৰু দৰিদ্ৰবিলাকৰ প্ৰতি সহানুভূতি দেখুৱাতেই তেওঁৰ গৌৰব। অনেক ব্ৰাহ্মণ তেওঁৰ শিষ্য আছিল। যি সময়ত বুদ্ধদেৱে নিজ ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই সময়ত সংস্কৃত-ভাষা ভাৰতবৰ্ষত কথিত নাছিল।

সেই সময়ত সংস্কৃত-ভাষা অকল পণ্ডিতসকলৰ কিতাপতহে পোৱা গৈছিল। বুদ্ধদেৱৰ কেইজনমান ব্ৰাহ্মণ শিষ্যই তেওঁৰ উপদেশবিলাক সংস্কৃতলৈ অনুবাদ কৰিব খোজাত তেওঁ শিষ্য-বিলাকক স্পষ্টকৈ কৈছিল—"মই দৰিদ্ৰ আৰু জনসাধাৰণৰ নিমিত্তেহে আহিছোঁ। মই চলিত ভাষাতহে ধৰ্ম্ম প্ৰচাৰ কৰিম।" গতিকে আজিলৈকে তেওঁৰ উপদেশবিলাক সেই সময়ৰ চলিত ভাষাতে আছে।

দৰ্শন শাস্ত্ৰই যিমানেই কি উচ্চাসন অধিকাৰ কৰক আৰু যিহকেই কওক, যিমান দিনলৈকে জগতত মৃত্যু বুলি ঘটনা থাকিব, আৰু যিমান দিনলৈকে মানুহৰ হৃদয়ত দুৰ্ব্বলতা বুলি কোনো ভাব থাকিব, যিমান দিন মানুহে নিজৰ দুৰ্ব্বলতা উপলব্ধি কৰি হৃদয়ৰ মৰ্ম্মস্থলিৰ পৰা কান্দোনৰ ধ্বনি তুলিব সিমান দিনলৈকে ঈশ্বৰত বিশ্বাস থাকিব। দৰ্শন শাস্ত্ৰৰ ফালৰ পৰা চাবলৈ গ'লে, সেই লোকগুৰু বুদ্ধদেৱৰ শিষ্যবিলাকে বেদৰূপ সনাতন পৰ্ব্বতত খুন্দা মাৰিলেহি; কিন্তু একোকে কৰিব নোৱাৰিলে। আনফালে চাবলৈ হ'লে তেওঁবিলাকে সকলো নৰ-নাৰীয়ে ভাল পোৱা সেই সনাতন পুৰুষক তেওঁবিলাকৰ বুকুৰ পৰা অপহৰণ কৰি নিলে। ফলত ভাৰতবৰ্ষত

সেই ধৰ্ম্মৰ মৃত্যুৱেই স্বাভাৱিক হ'ল। আৰু বৰ্ত্তমান কালত ভাৰতত এনেকুৱা এজন মতা নাইবা তিৰোতা নাই যি নিজক বৌদ্ধ বুলি পৰিচয় দিব।

আৰু আন ফালৰ পৰা চাবলৈ হলে ইয়াৰ পৰা হিন্দু-ধৰ্ম্মৰো বহুত ক্ষতি হ'ল। সমাজ সংস্কাৰৰ কাৰণে অপূৰ্ব্ব আগ্রহ, সকলোৰে প্রতি সেই অপূৰ্ব্ব সহানুভূতি আৰু দয়া, সেই সৰ্ব্ব সাধাৰণৰ ভিতৰত পাৰ্থক্যতাৰ ভাৱ গুচাই দিয়া বৌদ্ধ-ধৰ্ম্মই যি উন্নতিৰ সোঁত বোৱাই দিছিল—যি সোঁতে ভাৰতবৰ্ষৰ সমাজক ইমান দূৰ মহান আৰু উদাৰ কৰিছিল যে, সেই সময়ৰ এজন গ্ৰীচ দেশীয় বুৰঞ্জী লিখকে এই দৰে লিখি গৈছে যে—ভাৰতবৰ্ষৰ হিন্দুৱে মিছা কথা নকয় আৰু এজনীও হিন্দু-ৰমণী অসতী নহয়। বৌদ্ধ-ধৰ্ম্মৰ মৃত্যুৰ পিছত হিন্দুবিলাকে সেই আটাইবিলাক হেৰুৱালে।

হিন্দুধৰ্ম্ম নোহোৱাকৈও বৌদ্ধ-ধৰ্ম্ম থাকিব নোৱাৰে আৰু বৌদ্ধ-ধৰ্ম্ম নোহোৱাকৈও হিন্দু-ধৰ্ম্ম থাকিব নোৱাৰে। তেনে হলে এইটো ভালকৈ উপলব্ধি কৰা—যে আমাৰ দুয়োৰে ভিতৰত যি অসম্মিলন হৈছে তাৰ পৰা ভালকৈ বুজিব পাৰি যে তোমালোকেও আমাৰ ব্ৰাহ্মণ সকলৰ ধী শক্তি আৰু দৰ্শন শাস্ত্ৰ নোহোৱাকৈ দৃঢ়তা নোপোৱা, আমিও তোমালোকৰ উদাৰ মন নাপালে উন্নতি কৰিব নোৱাৰোঁ। বৌদ্ধ আৰু ব্ৰাহ্মণৰ ভিতৰত পৰস্পৰ বিদ্বেষ ভাৱ হোৱাই ভাৰতবৰ্ষৰ অৱনতিৰ মূল কাৰণ। সেই কাৰণে আজি ভাৰতত ত্ৰিশ কোটী ভিখাৰীৰ

বসতি হৈছে; সেই কাৰণেই আজি হাজাৰ বছৰ ভাৰত বিদেশীৰ পদদলিত। সেই কাৰণে আহা ! আজি আমি সকলোৱে ব্ৰাহ্মণৰ অপূৰ্ব্ব ধী শক্তিৰে সৈতে লোকগুৰু বুদ্ধদেৱৰ উচ্চ হৃদয়, মহৎ আত্মা আৰু অসাধাৰণ লোকহিতকাৰিতা শক্তিৰ মিলন কৰাই দিওঁ।

সপ্তদশ (শেষ) দিনৰ অধিবেশন।

(২৭ চেপ্তেম্বৰ)

বিদায়।

জগতত সৰ্ব্বধৰ্ম্ম মহাসমিতিৰ সম্ভৱ হবৰ পৰা আজি সৰ্ব্বতোভাৱে সত্য বুলি নিৰ্দ্ধাৰিত হ'ল ; যি সকলে এই মহাসভা গঠনৰ নিমিত্তে যি বিশেষ পৰিশ্ৰম কৰিছিল, পৰম কৰুণাময় সৰ্ব্ব পিতা পৰমেশ্বৰে তেওঁবিলাকক সহায় কৰিছে আৰু তেওঁ বিলাকৰ নিঃস্বাৰ্থ পৰিশ্ৰমৰ যথোচিত ফল দিছে।

যি সকলৰ প্ৰশস্ত হৃদয়ে আৰু সত্যানুৰাগে এই স্বপ্নৰ নিচিনা কাৰ্য্যত প্ৰথমতে কল্পনা কৰি শেষত কাৰ্য্যত পৰিণত কৰিলে সেই মহানুভৱ সকলক মই সৰল অন্তঃকৰণেৰে সৈতে ধন্যবাদ জনাইছোঁ। এই সভামণ্ডক যি উদাৰ ভাৱ সমূহে দেখুৱাইছে সেই ভাৱ সমূহৰ প্ৰতিও মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই উদাৰ ও বিজ্ঞমণ্ডলীয়ে মোৰ প্ৰতি সমভাৱে যি দয়া প্ৰকাশ কৰিছিল, আৰু যি ভাৱবিলাকৰ দ্বাৰা ধৰ্ম্ম সমূহৰ পৰস্পৰৰ বিবাদ কমি যায়, যি সকলে সেই বিলাক ভাৱ অনুমোদন কৰিছে, সেই সকলকো মই মোৰ ধন্যবাদ জনাইছোঁ। এই মধুৰ স্বৰাবলিৰ মাজত মাজে মাজে দুটা এটা বেসুৰীয়া মাত শুনা গৈছিল। যি সকলে তেনেকুৱা বিশৃঙ্খলা উৎপাদন কৰিছে, তেওঁবিলাকক মই বিশেষকৈ ধন্যবাদ দিওঁ, কাৰণ

তেওঁবিলাকে ক্ষন্তেকীয়া বিশৃঙ্খলাৰে সেই স্বাভাবিক শৃঙ্খলাতাক অতি সুমধুৰ কৰিছিল।

ধৰ্ম্ম সমন্বয়ৰ সাধাৰণ ভিত্তি ভূমিৰ সম্বন্ধে অনেক কথা কোৱা হ'ল। মই এতিয়া সেই বিষয়ে নিজমত প্ৰকাশ কৰিব খোজা নাই, কিন্তু যদি কোনোবাই এনেকুৱা আশা কৰে যে সেই সমন্বয়ে এই সকলো বিভিন্ন ধৰ্ম্ম সমূহৰ মাজত এটিৰ অভ্যুদয় আৰু আন-বিলাকৰ বিনাশ কৰি নিজৰ কাৰ্য্য সাধন কৰিব, তেনেহলে মই তেওঁবিলাকক কওঁ "ভাইসকল! তোমালোকৰ আশা কেতিয়াও ফলৱতী হব নোৱাৰে।" মই ইচ্ছা কৰিছোঁ নেকি যে খৃষ্টান বিলাক হিন্দু হওক? ঈশ্বৰে যেন সেইটো নকৰায়। মই ইচ্ছা কৰিছোঁ নে কি যে যেই সেই হিন্দুৱে বা বৌদ্ধই খৃষ্ট-ধৰ্ম্ম লওক? ঈশ্বৰে যেন সেইটো নকৰায়।

গুটি মাটিত পচোৱা হ'ল। মাটি, জল, বায়ু তাৰ চাৰিও ফালে আছে। সেই গুটিটো মাটি বা পানী নাইবা বতাহ ক্লিবা এটা হব নে কি? সেই গুটিৰ পৰা একোজোপা সৰু সৰু গছ গজিব। আৰু কালত মাটি, পানী আৰু বতাহৰ পৰা নিজৰ আহাৰ টানি ক্ৰমান্বয়ে নিজৰ স্বাভাৱিক নিয়মানুসাৰে শেষত একোজোপা ডাঙৰ গছ হব।

ধৰ্ম্ম সম্বন্ধেও সেই একে কথাই। খৃষ্টানে হিন্দু বা বৌদ্ধ হব নালাগে; হিন্দু বা বৌদ্ধয়ো খৃষ্টান হব নালাগে। কিন্তু প্ৰত্যেক ধৰ্ম্মই অইন ধৰ্ম্মৰ সাৰ ভাৱবিলাক গ্ৰহণ কৰি তাৰে সৈতে পুষ্ট হৈ বিশেষত্ব ৰক্ষা কৰি নিজে আগবঢ়াটোহে যুগুত।

PLEASE HANDLE THE BOOK CAREFULLY

যদি এই সৰ্ব্বধৰ্ম্ম মহাসভাই জগতত কিবা নতুন কথা দেখুৱাব খুজিছে তেনেহলে সেই কথা এয়ে। এই সভাই এই কথা ভালকৈ প্ৰমাণ কৰি দেখুৱাইছে। জগতত যি পবিত্ৰতা, চিত্তশুদ্ধি আৰু দয়া দাক্ষিণ্য এইবিলাক কোনো ধৰ্ম্মৰে বাপতীয়া সাহোন নহয়; আৰু প্ৰত্যেক ধৰ্ম্মতে অতি মহানুভৱ উদাৰ নৰ-নাৰী আছে।

এইবিলাক প্ৰত্যক্ষ প্ৰমাণ দেখুৱা স্বত্বেও যদি কোনোবাই এনেকুৱা কথা ভাবে যে তেওঁৰ ধৰ্ম্মই সকলো ধৰ্ম্মক বিনাশ কৰি নিজে জয়ী হওক—তেন্তে বাস্তৱিকতে তেওঁক পুতৌ কৰিব লগীয়া, আৰু সেই কাৰণে মই অতি দুঃখিত। তেওঁক মই ফট্-ফটীয়াকৈ দেখুৱাই কওঁ যে তেওঁবিলাকৰ বাধা বিঘিনি সকলোবোৰ অতি-ক্ৰম কৰি সকলো ধৰ্ম্মধ্বজাত এই কথা জল্ জল্ পট্ পট্‌কৈ ওলাই থাকিব যে "বিবাদ নকৰিবা, পৰস্পৰে পৰস্পৰক সহায় কৰা, আৰু পৰস্পৰে পৰস্পৰক ধ্বংস কৰিবলৈ চেষ্টা নকৰি পৰস্পৰে পৰস্পৰৰ ভাৱ গ্ৰহণ কৰি পালন কৰা। কাজিয়া, বিবাদ এৰি সকলোৱে মিত্ৰভাৱেৰে আকোৱালি ধৰি শান্তিৰ আশ্ৰয় লোৱাঁ।

অন্ত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

PLEASE HANDLE THE BOOK CAREFULLY.

ভুল-শুধৰণি ।

পৃষ্ঠা	শাৰি	অশুদ্ধ	শুদ্ধ
৩	৬	ভজ্যাম্যহম্	ভজাম্যহম্
৩	৬	বত্মানুবৰ্ত্তন্তে	বৰ্ত্মানুবৰ্ত্তন্তে
৩	৭	পথি	পাৰ্থ
১২	১১	বাখ্যা	ব্যাখ্যা

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.